সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৪৫ সংখ্যা, ২৪ কাতি , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 45 Date Of Publication - 10 November 2024 Rs.10.00/-

## চামগুৰিত বিধায়ক জিতু গোস্বামীৰ বাহনলৈ গুলীচালনা

ৰঙিলী বাৰ্ত্তাসেৱা- ক্ৰমাৎ বেয়াৰ পৰা বেয়ালৈ গতি কৰিছে চামগুৰিৰ নিৰ্বাচনকেন্দ্ৰিক হিংসা। শনিবাৰে নিশাও চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি সংঘটিত হয় গুলীচালনাৰ দৰে ঘটনা। সমষ্টিটোত নিৰ্বাচনৰ প্ৰচাৰ চলি থকাৰ মাজতে বঢ়মপুৰৰ বিজেপি বিধায়ক জিতু গোস্বামীক দুৰ্বৃত্তই গুলীয়াই হত্যাৰ চেষ্টা চলায়। অৱশ্যে সৌভাগ্যক্ৰমে বিধায়ক গোস্বামীৰ প্ৰাণৰক্ষা পৰে। বিজেপিয়ে এই আক্ৰমণৰ ঘটনাত কংগ্ৰেছী গুণ্ডা জড়িত থকাৰ অভিযোগ কৰিছে। উল্লেখ্য যে চামগুৰিত বিজেপিৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই থকা বিধায়ক জিতু গোস্বামীয়ে যোৱা নিশা ভাটিয়াখালী পঞ্চায়তৰ মৰিপুঠিখাইতীত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি আছিল। নিজৰ মহিন্দ্ৰা স্কৰপিঅ' এন বাহনেৰে বিজেপি নেতা সুৰেশ বড়া আৰু মজিবুৰ ৰহমানৰে প্ৰচাৰ চলাবলৈ আহি থকা অৱস্থাতে মৰিপুঠিখাইতীত ইছমাইল হুছেইন নামৰ লোকজনৰ ঘৰ পোৱাৰ সময়তে একাংশ দুৰ্বৃত্তই ঘৰটোৰ পৰা প্ৰথমতে শিল, ইটাৰে আক্ৰমণ আৰম্ভ কৰে। তাৰ



পাছতে বিধায়ক জিতু গোস্বামীৰ বাহনলৈ লক্ষ্য কৰি তিনিজাঁই গুলীবৰ্ষণ কৰে। দুৰ্বৃত্তই চলোৱা শিল আৰু ইটাৰ আক্ৰমণত অজয় সিং নামৰ এজন বিজেপি কৰ্মীয়ে মূৰত আঘাত পোৱাৰ লগতে বিধায়ক জিতু গোস্বামীৰ এজন পিএছঅ' আঘাতপ্ৰাপ্ত হয়। গুৰুতৰভাৱে আহত অজয় সিঙক ইতিমধ্যে নগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। স্বাভাৱিকতে নিৰ্বাচনী প্ৰচাৰৰ মাজতে বিজেপি বিধায়ক জিতু গোস্বামীক হত্যাৰ চেষ্টাৰে কংগ্ৰেছী গুণ্ডাই গুলীচালনা কৰা ঘটনাই ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। পিছত বিধায়ক জিতু গোস্বামীয়ে সংবাদ মাধ্যমৰ আগত ঘটনাৰ বৰ্ণনা দি কয় যে তেওঁলোক মাগুৰমাৰীৰ পৰা

(দহ পৃষ্ঠাত চাওক)

## ঝাৰখণ্ডত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী প্ৰচাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ মুখ্যমন্ত্ৰী তথা ঝাৰখণ্ড বিজেপিৰ সহঃপ্ৰভাৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনত কেইবাখনো নিৰ্বাচনী সমাৱেশত অংশগ্ৰহণ কৰি ঝাৰখণ্ড মুক্তি মৰ্চা চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰাৰ লগতে অনুপ্ৰৱেশকাৰীৰ ভয়াৱহতাৰ ওপৰত ভাষণ দিয়ে। ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এইবাৰ ঝাৰখণ্ডত বিজেপিৰ চৰকাৰ হ'ব। ঝাৰখণ্ডৰ জনতাই পৰিৱৰ্তন বিচাৰিছে। যুৱ সমাজে তেওঁলোকৰ ভৱিষ্যতৰ বাবে চৰকাৰৰ পৰিৱৰ্তন বিচাৰিছে আৰু তাৰ বাবে ইতিমধ্যে ওলাই আহিছে। ঝাৰখণ্ডৰ অস্তিত্বৰ বাবে হ'বলগীয়া এইবাৰৰ নিৰ্বাচনত বিজেপি জয়ী নহ'লে ঝাৰখণ্ডৰ ভৱিষ্যৎ ভাবিব নোৱাৰা

(দহ পৃষ্ঠাত চাওক)

## উৰণ সেতু নিৰ্মাণৰ বাবে ভৰলুমুখত গছ কটাৰ প্ৰস্তুতি



ৰঙিলী বাৰ্ত্তাসেৱা- ভৰলুমুখৰ উৰণ সেতু নিৰ্মাণক লৈ প্ৰকৃতি ধ্বংসৰ পৰিকল্পনাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিলে স্থানীয় ৰাইজে। উল্লেখ্য যে ভৰলুমুখৰ ৯ নম্বৰ (নতুন ৫ নম্বৰ) ৰে'লৰে গেটৰ ওপৰত নিৰ্মাণ হ'বলগা উৰণ সেতুখন নিৰ্মাণৰ পূৰ্বে লোকনিৰ্মাণ বিভাগে অঞ্চলটোৰ কিছুসংখ্যক গছ-গছনি আৰু বাসস্থানত চিন দিয়াৰ পাছত ৰাইজৰ মাজত যথেষ্ট ক্ষোভৰ সৃষ্টি হৈছে। ভৰলুমুখ নাগৰিক সমন্বয়ৰক্ষী সমিতিৰ সভাপতি খনিন্দ্ৰলাল শৰ্মাই এই সন্দৰ্ভত কয়, 'লোকনিৰ্মাণ বিভাগে স্থানীয় ৰাইজৰ লগত কোনোধৰণৰ ৰাজহুৱা শুনানি অনুষ্ঠিত নকৰাকৈয়ে গছ-গছনিসমূহ কটাৰ পৰিকল্পনা কৰিছে। উৰণ সেতু নিৰ্মাণ কৰাটো এটা উল্লেখযোগ্য আন্তঃগাঁথনি প্ৰকল্প। কিন্তু উন্নয়ন আৰু পৰিৱেশ সংৰক্ষণৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটোও সমানেই প্ৰয়োজন। চৰকাৰে কথাবোৰ বিবেচনা নকৰাকৈ গছ-গছনিসমূহ পৰিকল্পনাহীনভাৱে ধ্বংস কৰিলে পৰিৱেশতন্ত্ৰৰ ওপৰতো বিৰূপ

(দহ পৃষ্ঠাত চাওক)

### সম্পাদকীয় শিতান...

## বাকী, ধাৰ ইত্যাদি



**দেবাশীষ গোস্বামী, নগাওঁ**

বাকী-ইয়াৰ অন্তৰ্নিহীত অৰ্থ একো একোজন ব্যৱসায়ীৰ বাহিৰে আৰু কোনে বাৰু ভালকৈ বুজিব। হয়তো বহুতো ব্যৱসায়ীৰ বাবে ভূত- প্ৰেত, ভয়ংকৰ নৰখাদক, একোটা বাঘতকৈও অতি বেছি ভয়ংকৰ, নিদ্ৰাহৰণ কাৰী এই বাকী বোলো শব্দটো। গ্ৰাহকক বাকীৰে সন্তুষ্ট কৰিবলৈ গৈ কিমান যে ব্যৱসায়ীৰ লাওলোৱা অৱস্থা হৈছে তাৰ অলেখ উদাহৰণ আমাৰ চৌদিশে।

বাকী বিচৰা গ্ৰাহক সকলৰ মানসিকতাক আমি তিনিটা ভাগত ভগাব পাৰো।

১) মাহেকৰ মূৰত আদায়

২) টুকুৰা টুকুৰ কৈ আদায়

আৰু ৩)সম্পূৰ্ণ অনাদায় তথা বাকী খোৱা দোকানৰ ঠিকনা সলনি।

মিঠা মিঠা কথাৰে এক অতি বন্ধুত্ব সুলভ সম্পৰ্ক গঢ়ি ৰামঠগন দিয়াত এচাম গ্ৰাহক ইমানেই বেছি সিদ্ধহস্ত যে বাকী দিয়া ব্যৱসায়ী জনৰ পিঠিত চুৰি বহুৱাই হঠাৎ এনেদৰে অদৃশ্য হৈ পৰে যে দূৰ দিগন্তলৈ তেওঁলোকৰ কোনো উৱাদিশ পোৱা নাযায়। শেষত মৰণ ব্যৱসায়ীজনৰ।

ধাৰ- আমি প্ৰত্যেকজন খাটি খোৱা, মূৰৰ ঘাম মাটিত পেলাই, তেজক পানী কৰি, নানান কষ্ট হাঁহি মুখে স্বীকাৰ কৰি উপাৰ্জন কৰা টকা কেইটা যেতিয়া

(দহ পৃষ্ঠাত চাওক)


# বোকাখাতৰ নাহৰজান বাগিচাত কিশোৰীক ধৰ্ষণৰ বিৰুদ্ধে আপৰ সংবাদমেল



ৰঙিলী বাৰ্তাসেৱা- বোকাখাতৰ নাহৰজান চাহ বাগিচাত সংঘটিত বলাৎকাৰৰ ঘটনাৰ অভিযুক্তক দৃষ্টান্তমূলক শাস্তিৰ দাবী জনাইছে আম আদমী পাৰ্টিৰ ৰাজ্যিক সাধাৰণ সম্পাদক পুনম গগৈয়ে। গণেশগুৰিস্থিত আপৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত আপৰ নেত্ৰীগৰাকীয়ে কয়, “গোলাঘাট জিলাৰ অন্তৰ্গত নাহৰজান চাহ বাগিচাত এগৰাকী কিশোৰীক ৫৫ বছৰ বয়সৰ এটা লম্পটে ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপন হৈছিল। মনোজ নাইক নামৰ বলাৎকাৰীটোক স্থানীয় লোকে উত্তম মাধ্যম শোধাই আৰক্ষীৰ হাতত গতাই দিয়াৰ পিছতো আৰক্ষীৰ ভূমিকাক লৈ আশ্বস্ত হোৱা নাই স্থানীয় লোক। আমি এই ক্ষেত্ৰত ঘটনাৰ নিৰপেক্ষ তদন্তৰ লগতে অভিযুক্তৰ বিৰুদ্ধে কঠোৰৰ পৰা কঠোৰতম ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছোঁ।” আপৰ সাধাৰণ সম্পাদক পুনম গগৈয়ে ৰাজ্যখনত মহিলাৰ সুৰক্ষা প্ৰদানৰ ক্ষেত্ৰত বৰ্তমান চৰকাৰৰ ব্যৰ্থতাৰো সমালোচনা কৰে। সংবাদমেলত তেওঁৰ অভিযোগ, “বিগত কেইবামাহ ধৰি অসমত সঘনে নাৰী নিৰ্যাতনৰ ঘটনা সংঘটিত হৈছে। ৰাজ্যখনত ধাৰাবাহিক ভাৱে মহিলাৰ বিৰুদ্ধে অপৰাধ, অত্যাচাৰ, বলাৎকাৰ আদিৰ ঘটনাই চৰম পৰ্যায় পাইছে। চলিত বছৰতে ৰাজ্যখনত ৭ শতাধিক নাৰী নিৰ্যাতন আৰু বলাৎকাৰৰ ঘটনা সংঘটিত হৈছে। এনে বৰ্ধিত

(দহ পৃষ্ঠাত চাওক)

# ছিগালত নাটক ‘দ্য লেচন’




ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যখনৰ এক পুৰণি নাট্যগোষ্ঠী ‘ছিগাল থিয়েটাৰ’ এ পৰিৱেশন কৰিব নাটক- ‘দ্য লেচন’। প্ৰখ্যাত ৰোমানিয়ান - ফৰাচী নাট্যকাৰ ইউজিন আয়’নেস্কোই লিখা নাটক খনৰ অসমীয়ালৈ অনুবাদ কৰিছে বাহাৰুল ইছলামৰ তথা এই নাটকৰ পৰিকল্পনা আৰু পৰিচালনা - ভাগীৰথী বাইৰ। বৰ্তমান সময়, শিক্ষা ব্যৱস্থা আৰু অধ্যয়নৰ গভীৰতা বিষয়ক এক মননশীল নাট্য প্ৰযোজনাটি পৰিৱেশন কৰা হ’ব - গুৱাহাটীৰ ৰাধাগোৱিন্দ পথস্থিত জুৰনি পথৰ ‘ছিগাল ষ্টুডিঅ’ত ১০ নৱেম্বৰত সন্ধিয়া ঠিক ৬ বজাত। নাটৰ সংগীত - আকাশ শইকীয়াৰ আৰু পোহৰ সজ্জাৰ দায়িত্বত আছে আফটাফ হুচেইন। নাটকৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰিছে - ৰাজু ৰয়, বি পালকি আৰু ভাগীৰথী বাই।উল্লেখযোগ্য যে এই নাটকখন কেইবছৰমান আগতে অসমৰ লগতে কলকাতাৰ নান্দীকাৰকে ধৰি দেশৰ কেবাখনো নাট্য মহোৎসৱত সফলতাৰে মনস্থ হৈছিল। নাটখনৰ প্ৰাসংগিকতালৈ লক্ষ ৰাখি পুনৰ পৰিৱশনাৰ ব্যৱস্থা কৰা হৈছে।

# নিজ পুত্ৰক হত্যা কৰি পিতৃয়ে বাছি ল’লে চৰম সিদ্ধান্ত

ৰঙিলী বাৰ্তাসেৱা- গহপুৰৰ সোলেঙীত সংঘটিত হৈছে চাঞ্চল্যকৰ ঘটনা। কণমানি পুত্ৰক হত্যা কৰি নিজেও মৃত্যুৰ পথ বাছি ল’লে গহপুৰৰ সোলেঙীত হৃদয়হীন এজন পিতৃয়ে। বৃহস্পতিবাৰে নৃশংসভাৱে নিজ পুত্ৰক হত্যা কৰি ঘৰৰ পৰা পলায়ন কৰা পুত্ৰহন্তা পিতৃয়ে আত্মহত্যা কৰে। ঘৰৰ পৰা পশ্চিমে প্ৰায় ডেৰ কিলোমিটাৰ নিলগত বৰঘুলি ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ এটা নিৰ্মীয়মাণ আৰ চি চি গৃহৰ ভিতৰত চিপ লৈ



আত্মহত্যা কৰা অৱস্থাত প্ৰত্যক্ষ কৰে স্থানীয় লোকে। জানিব পৰা মতে, বৃহস্পতিবাৰে সন্ধিয়া ৭মান বজাত গহপুৰ থানাৰ অন্তৰ্গত সোলেঙীৰ মৃগাংক শইকীয়াৰ পত্নী ঘৰৰ পৰা কিবা কামত ওলাই যোৱাত আৰু ঘৰত কোনো নথকাৰ সুযোগত পাষাণ পিতৃ মৃগাংক শইকীয়াই নিজ একমাত্ৰ কণমানি পুত্ৰ আয়ুষ্মান ওৰফে ইমনক বিছনাত গাৰুৰে মুখত হেঁচি হত্যা কৰে। নিষ্ঠুৰ পিতৃ মৃগাংক ঘৰৰ মানুহ অহাৰ লগে লগে স্কুটী লৈ পলায়ন কৰে। মৃগাংকৰ পত্নী ঘৰৰ ভিতৰলৈ গৈ বিছনাত পুত্ৰ আয়ুষ্মানক পৰি থকা দেখি মাত দিয়ে। কিন্তু পুত্ৰক জোকাৰি দিয়াৰ পাছতো কোনো উত্তৰ নোপোৱাত চিএৎৰ-বাখৰ লগায়। আয়ুষ্মান বিছনাতে মৃত অৱস্থাত আছিল। ঘটনাৰ বাতৰি পাই পাষাণ পিতৃক ৰাইজে বিচাৰ-খোঁচাৰ কৰে যদিও কোনো সন্ধেদ লাভ কৰিবলৈ সক্ষম নহ’ল। ইপিনে ঘৰৰ পৰা ডেৰ কিলোমিটাৰমান দূৰত বৰঘুলিৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ এটা নিৰ্মীয়মাণ আৰ চি চি গৃহত চিপ লৈ আত্মহত্যা কৰা অৱস্থাত প্ৰত্যক্ষ কৰে। পাছত আৰক্ষীয়ে দণ্ডাধীশৰ উপস্থিতিত মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। কি কাৰণে এনেদৰে পুত্ৰক নিজ হাতেৰে হত্যা কৰি নিজেও আত্মহত্যাৰ দৰে চৰমপন্থা ল’ব লগা হ’ল সেয়া ৰহস্য হৈ পৰিছে।

# ৰাজ্যৰ ৫ গৰাকী এ চি এছ বিষয়াক নিলম্বন

ৰঙিলী বাৰ্তাসেৱা- নিৰ্বাচনী নিৰ্দেশ উলংঘা কৰাৰ অভিযোগত ৰাজ্যৰ ৫ গৰাকী এ চি এছ বিষয়াক নিলম্বন কৰা হৈছে । ৰাজ্য চৰকাৰে এক নিৰ্দেশযোগে নিলম্বন কৰে পাঁচগৰাকী এ চি এছ বিষয়াক । অসম ছাৰ্ভিচেছ (ডিচিপ্লিন এণ্ড এপিল) ৰুলছ ১৯৬৪ৰ বিধি ৬(১)ৰ অধীনত চাকৰিৰ পৰা নিলম্বিত কৰা বিষয়া পাঁচগৰাকী হৈছে কাব্যশ্ৰী দিহিঙীয়া, পৰিস্মিতা দিহিঙীয়া, কংকণজ্যোতি শইকীয়া, সৰোজ কুমাৰ ডেকা আৰু জিন্টু শৰ্মা। বাক্সাৰ নিৰ্বাচন বিষয়া কাব্যশ্ৰী দিহিঙীয়াক ডিমা হাছাওৰ নিৰ্বাচন বিষয়া, বোকাখাতৰ নিৰ্বাচন বিষয়া পৰিস্মিতা দিহিঙীয়াক শিৱসাগৰৰ নিৰ্বাচন বিষয়া, তিনিচুকীয়াৰ নিৰ্বাচন বিষয়া কংকণজ্যোতি শইকীয়াক বৰপেটাৰ নিৰ্বাচন বিষয়া হিচাপে বদলি কৰা হৈছিল। সেইদৰে জোনাইৰ সহকাৰী আয়ুক্ত জিন্টু শৰ্মাক মাজুলীৰ নিৰ্বাচন বিষয়া আৰু পৰ্বতঝোৰাৰ সহকাৰী আয়ুক্ত সৰোজ কুমাৰ ডেকাক নিৰ্বাচন বিভাগলৈ বদলি কৰা হৈছিল। যোৱা ছেপ্টেম্বৰ মাহত এই বিষয়াসকলক বদলিৰ নিৰ্দেশ দিয়া হৈছিল। কিন্তু চৰকাৰে দিয়া সেই বদলিৰ নিৰ্দেশ অনুসৰি নতুন কৰ্মস্থলীত বিষয়াকেইগৰাকীয়ে যোগদানৰ পৰা বিৰত থাকে। ইয়াৰ পৰিপ্ৰেক্ষিতত যোৱা ১ অক্টোবৰত ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়াই ৰাজ্য চৰকাৰলৈ এক পত্ৰযোগে সংশ্লিষ্ট বিষয়াকেইগৰাকীয়ে নতুন কৰ্মস্থলীত যোগদান নকৰাৰ কথা উল্লেখ কৰি তেওঁলোকে বিভাগীয় নীতি- নিৰ্দেশনা অমান্য কৰাৰ বিষয়ে অৱগত কৰে। নিৰ্বাচন বিভাগৰ পৰা লাভ কৰা সেই পত্ৰৰ পাছত ৰাজ্য চৰকাৰে যোৱা ৪ নৱেম্বৰত সংশ্লিষ্ট এচিএছ বিষয়া ৫গৰাকীক চাকৰিৰ পৰা নিলম্বিত কৰে। যোৱা ২০১৫ চনৰ ১৯ ফেব্ৰুৱাৰীৰ অফিচ মেম’ৰেণ্ডাম অনুসৰিয়ে তেওঁলোকক চাকৰিৰ পৰা নিলম্বন কৰা হয়।

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপন উপলক্ষে বক্তৃতানুষ্ঠান



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ উদ্যোগত অসম চৰকাৰৰ ৩ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰ২০২৪লৈ, ভাষা গৌৰৱ সপ্তাহ উদযাপন উপলক্ষে “অসমীয়া ভাষাৰ প্ৰাচীনত্ব আৰু ধ্ৰুপদী মৰ্যাদা” শীৰ্ষক এটি বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে অধ্যক্ষা ড° শিখামণি কোঁৱৰে অসমীয়া ভাষাৰ এক চমু অৱলোকন আগবঢ়ায়। মূল বিষয় “অসমীয়া ভাষাৰ প্ৰাচীনত্ব আৰু ধ্ৰুপদী মৰ্যাদা” বিষয়টিৰ আলোচনাত বক্তা মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° কানন মেধী পাটগিৰীয়ে বিভিন্ন ঘাট প্ৰতিঘাতৰ মাজেৰে আগবাঢ়ি অহা অসমীয়া ভাষাৰ প্ৰাচীনত্ব আৰু ইয়াৰ সমৃদ্ধিশালীতাৰ বিষয়ে ব্যক্ত কৰে। অতি প্ৰাচীন কালৰ শিলৰ স্তম্ভ, মঠ-মন্দিৰত খোদিত আখৰ, ৰজাদিনীয়া বিভিন্ন মোহৰ, বিদেশী পৰিব্ৰাজকৰ টোকা, বিভিন্ন পুথি আদিত অসমীয়া ভাষাই নিজৰ স্থিতি ক্ৰমে ক্ৰমে শক্তিশালী কৰি আনিছিল। বৰ্তমান অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰি অসমীয়া

(দহ পৃষ্ঠাত চাওক)

# বোকাখাত সমজিলা প্ৰশাসনৰ উদ্যোগত ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপন



ৰঙিলী বাৰ্ত্তাসেৱা- মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ অসম চৰকাৰে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা পোৱাৰ পাছত ৰাজ্যজুৰি ইংৰাজী ৩ নৱেম্বৰ, ২০২৪ৰ পৰা ৯ নৱেম্বৰ, ২০২৪ লৈকে অসমীয়া ভাষাৰ লগতে অসমৰ বিভিন্ন জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে "ভাষা গৌৰৱ সপ্তাহ" উদযাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। তাৰ পৰিপ্ৰেক্ষিতত বোকাখাতৰ নাট্যমন্দিৰত বোকাখাত সমজিলা প্ৰশাসনৰ উদ্যোগত অসমীয়া ভাষা সাহিত্যৰ ওপৰত এখনি আলোচনা সভা আয়োজন কৰা হয়। বোকাখাতৰ যোগানন্দ দেৱ সত্ৰাধিকাৰ গোস্বামী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° ৰুবি বৰাই এই আলোচনা সভাত সমল ব্যক্তি তথা নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি অসমীয়া ভাষাৰ ইতিহাস, উৎপত্তি, বিৱৰ্তন আৰু পূৰ্ণ পৰিৱৰ্তনৰ সন্দৰ্ভত বহুমূল্য বক্তব্য আগবঢ়ায়। মুখ্য অতিথি হিচাপে উপস্থিত থাকি আজিৰ আলোচনা সভাত মন্ত্ৰী অতুল বৰাই নিজৰ ভাষণত পোন প্ৰথমে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যদা পোৱাৰ সাফল্যৰ যাত্ৰাৰ গুৰি ধৰোতা পণ্ডিত, ভাষাবিদ, সাহিত্যিক আৰু গৱেষক সকলৰ অৱদানক শ্ৰদ্ধাৰে সুঁৱৰে আৰু স্মৰণ কৰে। মন্ত্ৰী বৰাই কয় যে, ভাষা গৌৰৱ সপ্তাহ অসমীয়া ভাষাৰ লগতে জনগোষ্ঠীয় ভাষা সমূহৰ প্ৰচাৰ, প্ৰসাৰ, চৰ্চা আৰু সাধনাৰ উৎসৱ। এই উদযাপন কাৰ্যসূচীৰ জৰিয়তে অসমক ভাতৃত্বৰ এনাজৰীৰে বান্ধিব লাগিব। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি পোৱাত সন্তুষ্টি লভিলেই নহ'ব, ইয়াক বিশ্ব ব্যাপী প্ৰচাৰ আৰু প্ৰসাৰৰ দায়িত্ব অসমীয়াই গ্ৰহণ কৰিব লাগিব। ডিজিটেল উন্নত প্ৰযুক্তিৰ মাধ্যমেৰে অসমীয়া ভাষাৰ চৰ্চা, প্ৰচাৰ আৰু প্ৰসাৰ কৰিব লাগে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অসমীয়া ভাষাৰ সৌন্দৰ্য আৰু

( নপৃষ্ঠাত চাওক)

# নীলমণি ফুকন দেৱৰ স্মৃতি কবিতা অনুষ্ঠান



ৰঙিলী বাৰ্ত্তাসেৱা- নৱেম্বৰত ২০২৪ তাৰিখ বুধবাৰে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু কবিতা গধূলি পোহৰৰ উদ্যোগত জ্ঞানপীঠ বঁটা বিজয়ী কাব্যঋষি নীলমণি ফুকনৰ স্মৃতিত হৰিৎ প্ৰান্তৰত কবিতাৰ এবেলা শীৰ্ষক মনোজ্ঞ অনুষ্ঠানটো অনুষ্ঠিত কৰা হয়।উপস্থিত থাকে নীলমণি ফুকন দেৱৰ পুত্ৰ ডাঃ জ্যোৰ্তিময় ফুকন ।অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কবি নীলমণি ফুকন দেৱক শ্ৰদ্ধাঞ্জলী আৰু মাল্য অৰ্পন কৰে ।বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নীহাৰ ৰঞ্জন কলিতা মঞ্চত উপস্থিত থকাৰ উপৰিও আদৰণি আৰু সাৰুৱা ভাষণেৰে উপস্থিত থকা সকলোকে মোহিত কৰে। অনুষ্ঠানত সভাপতিৰ আসন শুৱনি কৰে সেই মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক

( নপৃষ্ঠাত চাওক)

# কটা নহয় দীঘলীপুখুৰীৰ পাৰৰ ঐতিহ্যপূৰ্ণ গছ



ৰঙিলী বাৰ্ত্তাসেৱা- উৰণ সেতু নিৰ্মাণৰ বাবে কটা নহয় দীঘলীপুখুৰীৰ পাৰৰ ঐতিহ্যপূৰ্ণ গছ।বামুণীমৈদাম-ৰিজাৰ্ভ বেংক সংযোগী উৰণ সেতুৰ বাবে দীঘলীপুখুৰীপাৰৰ গছ কটাৰ বিতৰ্ক চলি থকাৰ সময়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পুনৰবাৰ স্পষ্ট কৰি দিছে যে কোনো কাৰণতে দীঘলীপুখুৰীৰ ঐতিহ্যপূৰ্ণ গছ কটা নহয়।আনকি এই গছকেইজোপা আন ঠাইলৈ স্থানান্তৰ কৰাও নহয়।ইয়াৰ বিপৰীতে হ্ৰাস কৰা হ'ব উৰণ সেতুৰ দৈৰ্ঘ্য। উৰণ সেতুৰ নিৰ্মাণস্থলী পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ঘোষণা কৰে। লোকনিৰ্মাণ বিভাগৰ উচ্চপদস্থ বিষয়া আৰু উৰণ সেতু নিৰ্মাণত জড়িত ঠিকাদাৰৰ সৈতে সেতুখনৰ নিৰ্মাণস্থলী পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্টসকলৰ সৈতে এক আলোচনাত মিলিত হয়। এই আলোচনাৰ পাছতে মুখ্যমন্ত্ৰীয়ে উপস্থিত সাংবাদিকসকলক কয় যে লোকনিৰ্মাণ বিভাগে দীঘলীপুখুৰীপাৰৰ গছ কটাৰ কোনো পৰিকল্পনাই লোৱা নাই। কেৱল ডাঙৰ গছবোৰ দীঘলীপুখুৰীপাৰৰ পৰা ব্ৰহ্মপুত্ৰৰ কাষলৈ উন্নত প্ৰযুক্তিৰে শিপাৰ সৈতে স্থানান্তৰ কৰাৰ বাবেহে সিদ্ধান্ত লৈছিল। সেই সিদ্ধান্তৰ পৰিপ্ৰেক্ষিততে স্থানান্তৰ কৰিবলগীয়া গছবোৰ ৰঙা দাগ দি মাৰ্কিং কৰা হৈছিল। আনকি প্ৰায় ৰপ্ত দিন পূৰ্বে বাহিৰৰ প্ৰতিষ্ঠান এটাই আহি এই গছবোৰ চায়ো গৈছিল। কিন্তু শেহতীয়া গছ কটাৰ বিতৰ্কৰ বাবে এতিয়া এই স্থানান্তৰৰ সিদ্ধান্ত বাতিল কৰা হৈছে আৰু গছবোৰ নকটা সিদ্ধান্ত লৈ উৰণ সেতুখনৰ দৈৰ্ঘ্য কিছু হ্ৰাস কৰা হৈছে। সেই হিচাপে উৰণ সেতুৰ নক্সা সলনি কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জনায় যে এতিয়া উৰণ সেতুখনৰ দুটা বাহু দুফালে হ'ব। এটা বাহু চানমাৰিৰ দিশৰ পৰা আহিলে ৰবীন্দ্ৰ ভৱন আৰু জিলা পুথিভঁৰালৰ মাজত শেষ হ'ব। আনহাতে নুনমাটিৰ দিশে যাবলগীয়া উৰণ সেতু আৰম্ভণি হ'ব লেম্ব ৰোডত। তেওঁ কয় যে নতুন নক্সা অনুসৰি সন্দিকৈ কলেজৰ দিশত নাথাকিব উৰণ সেতু। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে স্পষ্ট কৰি দিয়ে যে গুৱাহাটী ক্লাবত থকা ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিমূৰ্তিও পূৰ্বৰ স্থানতে থাকিব। তেওঁ প্ৰকাশ কৰে যে উৰণ সেতুখন যিহেতু ৰসৰাজৰ প্ৰতিমূৰ্তিৰ ওপৰেৰে যাব সেয়ে প্ৰতিমূৰ্তিটো স্থানান্তৰ কৰাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে।

# বংশৰত সুধাকণ্ঠক সোঁৱৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ বংশৰত সুধাকণ্ঠ স্মৃতি ৰক্ষা সমিতি বংশৰৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যু তিথিত বংশৰ দুৰ্গা পূজা মণ্ডপ প্ৰাঙ্গনত দিনযোৰা কাৰ্যসূচীৰে সশ্ৰদ্ধ স্মৰণ কৰা হয় সঞ্চালক কনক দাসৰ সঞ্চালনাত। অনুষ্ঠানত সুধাকণ্ঠৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন আৰু মুখ্য বন্তি প্ৰজ্বলক বয়োজ্যেষ্ঠ বগাৰাম বৈশ্য, প্ৰফুল্ল চন্দ্ৰ বৈশ্য আৰু পদ্মৰাম পাঠক দেৱে প্ৰজ্বলন কৰে। ইয়াৰ পিছতে ড° ধ্ৰুৱজ্যোতি মালাকৰ, ড° প্ৰণৱজ্যোতি শৰ্মাই সুধাকণ্ঠৰ জীৱনকৃতীৰ সম্পৰ্কে আলোকপাত কৰে। পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সঙ্গীত প্ৰতিযোগিতাত ৩৬ গৰাকীয়ে অংশগ্ৰহণ কৰে। মঞ্চ উদ্বোধন কৰে স্কিল ডেভলপমেন্টৰ প্ৰজেক্ট মেনেজাৰ অশোক কুমাৰ বৈশ্যই। বিচাৰকৰ আসন অলংকৃত কৰে কণ্ঠশিল্পী কুইন দাস আৰু বিশিষ্ট সংগীত পৰিচালক উমেশ নাথে। প্ৰথম পুৰস্কাৰ প্ৰয়াত ওৱাজেদ আলীৰ সোঁৱৰণত ১০,০০১ টকা লাভ কৰে নলবাৰীৰ অৰ্চিত বিক্ৰম চৌধুৰীয়ে, দ্বিতীয় পুৰস্কাৰ প্ৰয়াত ভৈৰৱেন্দ্ৰ কাকতিৰ সোঁৱৰণত ৭,০০১ টকা লাভ কৰে মুকালমুৱাৰ ভাবনা কলিতাই, তৃতীয় পুৰস্কাৰ প্ৰয়াত কামেশ্বৰ বৈশ্যৰ সোঁৱৰণত ৩,০০১টকা লাভ কৰে পাটাছাৰকুছিৰ জিজ্ঞাসা কাশ্যপে আৰু বিচাৰকৰ বিশেষ বঁটা লাভ কৰে গুৱাহাটীৰ প্ৰিয়াঞ্চী কাশ্যপে। বিশিষ্ট সমাজকৰ্মী তথা শিক্ষক ইন্দ্ৰকান্ত বৈশ্যই আত ধৰা অনুষ্ঠানত প্ৰতিষ্ঠিত শিল্পী দ্বীপজ্যোতি কলিতা, কৰিস্মা দাস, ভাস্কৰজ্যোতি দাস, সনাতন বৈশ্য, ডাঃ শ্যামন্ত কলিতাই গীত পৰিবেশন কৰাৰ ওপৰিও ডান্স কৰিঅ'গ্ৰাফাৰ বিশ্বজিৎ বৈশ্যই পৰিচালনা কৰা এটি নৃত্য আৰু সৌৰভ বৈশ্য, গৌৰৱ বৈশ্যৰ এটি নৃত্য পৰিবেশন কৰে বুলি জানিবলৈ দিছে ব্যৱস্থাপক দীপক বৈশ্য আৰু নাৰায়ণ বৈশ্যই।

# ডিব্ৰুগড় জিলাত “ভাষা গৌৰৱ সপ্তাহ” উদ্‌যাপনৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি মন্ত্ৰী বিমল বড়া



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত “ভাষা গৌৰৱ সপ্তাহ”উদযাপনৰ ডিব্ৰুগড় জিলাৰ উদ্বোধনী অনুষ্ঠান যোৱা ৩ নৱেম্বৰত শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান তথা সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী বিমল বড়া। “ভাষা গৌৰৱ সপ্তাহ” উদ্যাপনৰ উদ্বোধনী অনুষ্ঠানত অসমৰ সাহিত্য ক্ষেত্ৰৰ পাচঁগৰাকী বৰেণ্য সাহিত্যিক, ভাষা-গৱেষক ক্ৰমান্বয়ে ড° নগেন শইকীয়া, পদ্মশ্ৰী প্ৰহ্লাদ চন্দ্ৰ তাছা, দেৱী প্ৰসাদ বাগড়োদিয়া, ড° ভীমকান্ত বৰুৱা আৰু ড° কৰবী ডেকা হাজৰিকালৈ ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানত পদ্মশ্ৰী প্ৰহ্লাদ চন্দ্ৰ তাছাই নিৰ্দিষ্ট বক্তা হিচাপে অসমীয়া ভাষা-সাহিত্যৰ ইতিবৃত্ত সন্দৰ্ভত আলোকপাত কৰাৰ লগতে ধ্ৰুপদী ভাষাৰ মৰ্যদাই অসমীয়া ভাষা- সাহিত্যৰ উত্তোৰণ, গৱেষণা তথা প্ৰসাৰত কেনেদৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব সেই বিষয়ে বিতং তথ্যসম্বলিত ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ মুখ্য অতিথি কেবিনেট মন্ত্ৰী বিমল বড়াই অসমীয়া ভাষালৈ ধ্ৰুপদী ভাষাৰ মৰ্যদা প্ৰদান কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে যিসকল পণ্ডিত, গৱেষক তথা মনিষীৰ নেৰানেপেৰা প্ৰচেষ্টাত অসমীয়া ভাষাই এই ঐতিহাসিক মৰ্যদাৰ অধিকাৰী হ'ল সেই সকলো বৰেণ্য ব্যক্তিক শ্ৰদ্ধাৰে স্মৰণ কৰে। ভাষাক মানুহৰ মনৰ ভাৱ প্ৰকাশৰ এক অন্যতম মাধ্যম বুলি উল্লেখ কৰি মানুহক জীৱশ্ৰেষ্ঠ পৰ্যায়লৈ উন্নীত কৰাৰ ক্ষেত্ৰত ভাষাৰ গুৰুত্ব আৰু ( নপৃষ্ঠাত চাওক)

# দৰঙত ভাষা গৌৰৱ সপ্তাহৰ শুভাৰম্ভণি অনুষ্ঠান





ৰঙিলী বাৰ্ত্তাসেৱা- সমগ্ৰ ৰাজ্যৰ লগতে দৰং জিলাতো ৩ নৱেম্বৰত জিলা প্ৰশাসনৰ উদ্যোগত ভাষা গৌৰৱ সপ্তাহৰ শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা পোৱাৰ পিছত অসম চৰকাৰে ৩ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰ, ২০২৪ তাৰিখলৈ ভাষা গৌৰৱ সপ্তাহ পালন কৰিবৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই উপলক্ষে মঙলদৈ জিলা পুথিভঁৰালত অনুষ্ঠিত হোৱা শুভাৰম্ভণি অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাসে। সভাত ভাষণ প্ৰদান কৰি বিধায়কগৰাকীয়ে কয় যে অসমীয়া ভাষাই ধ্ৰুপদী মৰ্যাদা লাভ কৰাতো আমাৰ বাবে গৌৰৱ। তেওঁ সকলোকে নিজৰ ঘৰখন বা কৰ্মস্থলীত অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। অসমীয়া ভাষা সকলোতে ব্যৱহাৰ কৰি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা লাভ কৰিব পাৰিম বুলি আশা প্ৰকাশ কৰে। সভাত মুখ্য বক্তাৰূপে উপস্থিত থাকি মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° বিজয় কুমাৰ শৰ্মাই ‘অসমীয়া ভাষাৰ ক্ৰমবিকাশ, সম্ভাৱনা আৰু ভৱিষ্যত আৰু অসমীয়া ভাষা সাহিত্যলৈ দৰঙৰ বিশিষ্ট কবি সাহিত্যিক সকলৰ অৱদান'ৰ ওপৰত ভাষণ প্ৰদান কৰে। তেওঁ অসমীয়া ভাষাৰ বীজ চতুৰ্থ শতিকাৰ তামৰ ফলিত পোৱা হৈছে বুলি কয়। ভাষণত বিশিষ্ট শিক্ষাবিদগৰাকীয়ে কয় যে যি সময়ত ভাৰতবৰ্ষত থলুৱা ভাষাবিলাকত সাহিত্য ৰচনা কৰা ( নপৃষ্ঠাত চাওক)

# বৰপেটাৰোডত সংঘটিত হৈছে এক ভয়াৱহ দুৰ্ঘটনা



ৰঙিলী বাৰ্ত্তাসেৱা- বৰপেটাৰোডত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। দুৰ্ঘটনাটোত থিতাতে মৃত্যু হয় দুই মটৰ চাইকেল আৰোহী পিতা-পুত্ৰৰ। বৰপেটাৰোডৰ শিমলাগুৰীৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ নৱ-নিৰ্মিত উৰণ সেঁতুত সংঘটিত হয় এই ভয়ংকৰ পথ দুৰ্ঘটনা। জানিব পৰা মতে হাউলীৰ দিশলৈ একে দিশেৰে গৈ থকা এখন তেলৰ টেংকাৰৰ খুন্দাত দুয়ো আৰোহী থিতাতে মৃত্যুমুখত পৰে। দুৰ্ঘটনাটোত মৃত্যু হোৱা মটৰচাইকেল আৰোহী দুজনৰ নাম হৈছে কৈলাশ মেধি আৰু ৰাজেশ মেধি। বৰপেটাৰোডৰ পৰা হাউলীৰ দিশলৈ গৈ থকা এ এছ-১৫ এছ-৯০৭১ নম্বৰৰ মটৰচাইকেলখনক ইউ পি-৭০ এফ টি-৭৫০৬ নম্বৰৰ তেলৰ টেংকাৰখনে মহটিয়াই নিয়ে। ঘটনাস্থলীত শিমলাগুৰি আৰক্ষী পহৰা (বাক্সা জিলা) চকীৰ আৰক্ষীৰ দল উপস্থিত হৈ মৃতদেহ দুটা উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। এই ঘটনাক লৈ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। ঘটনাটোত প্ৰাণ হেৰুওৱা কৈলাশ মেধি বাক্সা জিলাৰ আনন্দবজাৰস্থিত ডাকঘৰৰ পোষ্টমাষ্টৰ আছিল।

# পলাশবাৰীৰ ধাঙ্গাৰগাঁৱত বন্যহস্তীৰ ৰহস্যজনক মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- পূৱ কামৰূপ বন সংমণ্ডলৰ ৰাণী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ৰাণীৰ হাতীমাৰা ঘূলিত বনবিভাগৰ নিষ্ক্ৰিয় ভূমিকাৰ বাবে কোনো দুৰ্বৃত্তই ৰাণীৰ পাহাৰৰ মাজত বন্যহস্তী চিকাৰ কৰি মাংস আৰু দাঁত কাটি লৈ যোৱাৰ ঘটনা সংঘটিত হোৱাৰ প্ৰতিক্ৰিয়াৰ মাৰ নৌহওঁতেই আজি পুৱা পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনৰ কুলশী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ধাঙ্গাৰগাঁৱৰ পাহাৰৰ নামনিতে এটি বন্যহস্তীৰ মৃত্যু সংঘটিত হোৱা ঘটনাত অঞ্চলটোৰ সচেতন লোকৰ লগতে প্ৰকৃতিপ্ৰেমীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এই খবৰ বিয়পি যোৱাৰ লগে লগে অঞ্চলটোত বহু লোকৰ সমাগম হয়। স্থানীয় লোকে কুলশী বনাঞ্চলিক কাৰ্যালয়ত খবৰ দিয়াত বন বিষয়া কংকন জ্যোতি কৌশিকসহ এটি বনকৰ্মীৰ দল ঘটনাস্থলীত উপস্থিত হৈ এই বন্যহস্তীটোৰ মৃত্যুৰ বুজ লয়। অৱশ্যে বাতৰি লিখাৰ সময়লৈকে প্ৰকৃত ঘটনা পোহৰলৈ অহা নাই। ঘটনাস্থলীত লগতে এটি পশু চিকিৎসকৰ দলে উপস্থিত হৈ বন্যহস্তীটোৰ মৰণোত্তৰ পৰীক্ষাৰ ( নপৃষ্ঠাত চাওক)

# উত্তৰাখণ্ডত ভয়ংকৰ পথ দুৰ্ঘটনা



ৰঙিলী বাৰ্ত্তাসেৱা- এক ভয়ংকৰ পথ দুৰ্ঘটনা। উত্তৰাখণ্ডৰ আলমোৰাত সংঘটিত হৈছে এই ভয়ংকৰ পথ দুৰ্ঘটনা। পাহাৰৰ পৰা দ-খাৰৈত বাগৰি পৰিল যাত্ৰাবাহী বাছ। কিনাথৰ পৰা ৰামনগৰ অভিমুখী এখন যাত্ৰীবাহী বাছ নিয়ন্ত্ৰণ হেৰুৱাই দ খাঁৰৈত পৰে। এই শোকাৱহ দুৰ্ঘটনাটোত বৰ্তমানলৈ ৩৬জন যাত্ৰীৰ মৃত্যু হৈছে। জানিব পৰা মতে বাছখনত ৫০ জনতকৈও অধিক যাত্ৰী আছিল। আন বহুকেইজন গুৰুতৰভাৱে আহত হয়। আহতসকলক ( নপৃষ্ঠাত চাওক)

# বলিউদৰ ছবিত ৫৪ বছৰৰ আগৰ যোৰহাট, ধুবুৰী নগৰৰ দৃশ্য দেখা যাব

অঞ্জু শাণ্ডিল্য



১৯৭৪ৰ পৰা ১৯৭৬ৰ ১৪ ফেব্ৰুৱাৰীলৈকে যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত প্ৰায় আঢ়ৈ বছৰ কটাইছিল এজন মৃত্যুদণ্ডৰে দণ্ডিত কয়দীয়ে। কয়দীজনে চাৰিটাকৈ হত্যাকাণ্ড সংঘটিত কৰিছিল। হত্যাকাণ্ডৰ বাবে অনুতপ্ত কয়দীজনে যোৰহাট কাৰাগাৰত থকা কালছোৱাত শাস্ত্ৰ অধ্যয়ন কৰি কটাইছিল। কাৰাগাৰৰ সেই নিৰ্জন কোঠাত গগন পাঠক নামৰ এজন ৱাৰ্ডাৰে কীৰ্তন, ভাগৱত, পুৰাণ, নামঘোষা আদি শাস্ত্ৰ যোগাৰ কৰি দিছিল। আৰু কয়দীজনে সেইবোৰ শাস্ত্ৰ অধ্যয়ন কৰাৰ পাছত গগন পাঠকক ভাঙনি কৰি শুনাইছিল। ১৯৭৬ৰ ১৪ ফেব্ৰুৱাৰীৰ পুৱতি নিশা গগণ পাঠকে কয়দীজনক তুলসী পাত তিওৱা পানীৰে গা-ধুৱাই বগা সাজযোৰ পিন্ধাই দিছিল আৰু কয়দীজনক ফাঁচি দিয়া হৈছিল। কয়দীজন কিন্তু সাধাৰণ আচামী নাছিল। ১৯৭০ৰ ফেব্ৰুৱাৰীত ধুবুৰী চহৰত অৱসৰপ্ৰাপ্ত এজন ন্যায়াধীশে চাৰিটাকৈ হত্যাকাণ্ড কৰিছিল, ধুবুৰী চহৰৰ এক নম্বৰ বাৰ্ডত থকা চৰকাৰী বাসভৱনত। চাৰিবাৰ ধুবুৰী জিলা কাৰাগাৰত কাৰাবন্দী ন্যায়াধীশজনক পাছত যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত ৰখা হয়। ১৯৭০ৰ ফেব্ৰুৱাৰীতে হত্যাকাণ্ড সংঘটিত হৈছিল যদিও পাঁচ মাহলৈকে আৰক্ষীয়ে হত্যাকাণ্ডৰ শুংসূত্ৰ উলিয়াব পৰা নাছিল। হত্যাকাৰীয়েও একো প্ৰমাণ এৰি থোৱা নাছিল। আৰু স্বাভাবিক জীৱন কটাইছিল। হত্যাকাণ্ডৰ বলি হৈছিল ন্যায়াধীশজনৰ পত্নী আৰু তিনি কন্যা। পত্নী-কন্যাক ফুৰিবলৈ যোৱা বুলি ফাকি দিছিল। কিন্তু পাঁচমাহলৈকে পত্নী-কন্যা ঘৰলৈ উভতি নহাত বহুতৰে সন্দেহ হ'ল। অৱশেষত তেতিয়াৰ আইজিপি বৰদা শৰ্মাই অভিযোগ আৰম্ভ কৰে। পশ্চিমবংগৰ শিলিগুৰিৰ ছেভয় হোটেলত আত্মগোপন কৰি থকা ন্যায়াধীশজনক বৰদা শৰ্মাই আটক কৰে। আটক কৰাৰ সময়ত ন্যায়াধীশগৰাকীয়ে পেটত চুৰি মাৰি আত্মহত্যাৰ চেষ্টা কৰি বিফল হয়। আৰক্ষীৰ জেৰা আৰু অনুসন্ধানত ধুবুৰী চহৰৰ এক নম্বৰ ৱাৰ্ডত থকা বাসভৱনৰ চৌহদৰ দুটা গাঁতৰ পৰা মৃতদেহৰ গেলি-পচি যোৱা অৱশিষ্ট অংশ, উদ্ধাৰ হয়। আশ্চৰ্যজনক কথা, মৃতদেহ উদ্ধাৰ হোৱা দিনাই ন্যায়াধীশজনৰ বাসভৱনত মালীৰূপে থকা এছ দাস নামৰ লোকজনে ধুবুৰী অসামৰিক চিকিৎসালয়ৰ মৰণোত্তৰ পৰীক্ষাৰ কোঠালিত চিপ লৈ আত্মহত্যা কৰে। ন্যায়াধীশজনৰ গাড়ীচালক উমেশ বৈশ্যই হত্যাকাণ্ড সংঘটিত কৰোতে ন্যায়াধীশজনক সহায় কৰিছিল। প্ৰায় ডেৰ বছৰ ধৰি ধুবুৰী আদালতত বিচাৰ চলাৰ অন্ততঃ ১৯৭৩ত বনোৱাৰীলাল হালছাবিয়া আদালতে ন্যায়াধীশজনক ফাঁচিৰ হুকুম দিয়ে। ন্যায়াধীশ হানছাবিয়াও সেই অভিশপ্ত বাসভৱনটোতে আছিল। হানছাৰিয়া বদলি হৈ যোৱাৰ পাছত কোনো ন্যায়াধীশ বাসভৱনটোত থকা নাছিল। স্থানীয় লোকে বাসভৱনটো ভূত বাংলা নামেৰে অভিহিত কৰে। সমগ্ৰ অসমত আলোড়ন তোলা এই নৃশংস হত্যাকাণ্ডৰ প্ৰতিবেদন প্ৰকাশ হৈছিল প্ৰতি সপ্তাহত অসম বাণীত। ৭০ৰ দশকৰ জনপ্ৰিয় সাংবাদিক, গল্পকাৰ ঔপন্যাসিক নিৰোদ চৌধুৰীয়ে নিজে অনুসন্ধান কৰি প্ৰতিবেদন লিখিছিল। প্ৰথম অৱস্থাত আইজিপি বৰদা শৰ্মাৰ লগত জীপেৰে, তাৰ পাছত বাছ, বন্ধুৰ গাড়ী, ট্ৰেইন আদিৰে গৈও ক্ষেত্ৰভিত্তিক অনুসন্ধান কৰিছিল। অপৰাধৰ্মী ডিটেকটিভ উপন্যাসৰ দৰে প্ৰতিবেদনবোৰ প্ৰকাশ হোৱাত, প্ৰতি সপ্তাহে অসম বাণী প্ৰকাশ হোৱালৈ পাঠকে অধীৰ আগ্ৰহেৰে বাট চাইছিলো। মহাৰথী চন্দ্ৰপ্ৰসাদ শইকীয়াই কৈছিল- 'হত্যাকাণ্ডৰ ঘটনাক সাহিত্যলৈ উন্নীত কৰিব পৰা ক্ষমতা প্ৰদৰ্শন কৰিব পৰাজনেই হৈছে নিৰোদ চৌধুৰী।' নিৰোদ চৌধুৰীৰ প্ৰতিবেদনৰ ভিত্তিত নন্দ তালুকদাৰ মাউণ্ডেচনে বিচাৰক ৰাজখোৱাৰ ফাঁচি শীৰ্ষক গ্ৰন্থ প্ৰকাশ কৰিছিল। পাঠকে নিশ্চয় অনুমান কৰিব পাৰিছে, ফাঁচি কাঠত ওলমা ন্যায়াধীশজন কোন। সেইজন উপেন ৰাজখোৱা। উক্ত গ্ৰন্থখনত আটাইবোৰ প্ৰতিবেদন প্ৰকাশ হোৱা নাছিল। পাছত নিৰোদ চৌধুৰীৰ পত্নী ডাঃ ইন্দিৰা চৌধুৰীৰ সম্পাদনাত অভিযুক্ত বিচাৰক ৰাজখোৱা গ্ৰন্থখনতহে সমগ্ৰ প্ৰতিবেদন প্ৰকাশ পায়। নিজে ন্যায়াধীশ হৈ থাকোতে কোনোদিনে কাকো ফাঁচিৰ হুকুম দি নোপোৱা উপেন ৰাজখোৱাই অৱশেষত যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত ফাঁচিকাঠত ওলমিল।

১৯৭৭ত 'পাপ আৰু প্ৰায়চিত্ত' ছবিখন হত্যাকাণ্ডৰ কাহিনীৰে নিৰ্মাণ কৰা হৈছিল। ছবিখন জনপ্ৰিয় হৈছিল। বছৰৰ পাছত বছৰ বাগৰি গ'ল। ৭০ দশকৰ বহু লোক আজি ইহসংসাৰত নাই। বহুতে কথাবোৰ পাহৰিও গৈছিল। ২০১৭ত ভূতবাংলা চৰকাৰী প্ৰচেষ্টাত ভাঙি দিয়াত আকৌ কথাবোৰ চৰ্চালৈ আহিছিল। 'ভূতবাংলা'ৰ ঠাইত ছয় মহলাযুক্ত এটা অট্টালিকাৰ কাম আৰম্ভ কৰা হয়। ২০১৭ৰ দুই ডিচেম্বৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ অজিত সিঙে অট্টালিকাটোৰ আধাৰশিলা স্থাপন কৰে। বৰ্তমান সম্পূৰ্ণ হৈ উঠিছে অট্টালিকাটো আৰু ইয়াতেই চলিব ধুবুৰী আদালত হ'ব উপেন ৰাজখোৱাই সংঘটিত কৰা হত্যাকাণ্ডৰ আধাৰত এখন ছবি। উপেন ৰাজখোৱাৰ চৰিত্ৰ ৰূপায়ণ কৰিব জনপ্ৰিয় অভিনেতা নৱাজউদ্দিন ছিদ্দিকিয়ে। ফৈজুদ্দিন ছিদ্দিকিয়ে প্ৰযোজনা কৰা ছবিখনক এতিয়ালৈকে নাম স্থিৰ হোৱা নাই। বলিউদৰ এই ছবিখনত জিলিকি উঠিব যোৰহাট, ধুবুৰী নগৰ; কিন্তু বৰ্তমানৰ যোৰহাট, ধুবুৰী নগৰ নহয়, ৫৪ বছৰৰ আগৰ। 'বজৰংগী ভাইজান'ত ইতিবাচক চৰিত্ৰত অভিনয় কৰা নৱাজউদ্দিন চিদ্দিকিক আজিও দৰ্শকে পাহৰিব পৰা নাই; কিন্তু ন্যায়াধীশ উপেন ৰাজখোৱাৰ চৰিত্ৰ ফুটাই তুলিব পাৰিবনে? সেয়া সময়েহে ক'ব।

# সাম্প্ৰতিক পৃথিৱী আৰু মানৱতা



ৰশ্মি ৰেখা দুৱৰা,ডিব্ৰুগড়

সাম্প্ৰতিক সময়ত বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ অভুতপূৰ্ব বিকাশ ঘটিছে। আধুনিক অৰ্থাৎ সাম্প্ৰতিক পৃথিৱীখনত আমি যন্ত্ৰলৈ ৰূপান্তৰিত হৈ পৰিছোঁ। অতীতৰ সময়চোৱাত পৰিয়ালবৰ্গৰ সৈতে সকলো লোক আৱদ্ধ আছিল বাবে মৰম-চেনেহৰ জৰীদাল কটকটীয়া আছিল। বিজ্ঞানৰ আৱিষ্কাৰ বোৰৰ কাৰণে মানুহৰ জীৱন ধাৰণৰ মান সম্প্ৰতি যথেষ্ট উন্নতি হৈছে। কিন্তু সাম্প্ৰতিক সময়ত ব্যক্তিকেন্দ্ৰিকৰ বিপৰীতে মানৱসমাজ বস্তুকেন্দ্ৰিকলৈ ৰূপান্তৰিত হোৱা পৰিলক্ষিত হয়।

নৈতিক, সামাজিক, আধ্যাত্মিক আদি মূল্যবোধৰ পৰা আমি সকলো বিৰত হৈ পৰিছোঁ। আমি নিজে মূল্যবোধ শিক্ষা আয়ত্ত কৰি উঠি প্ৰজন্মকো মূল্যবোধনো কি হয় ভালকৈ বুজাই দিয়া উচিত বুলি ভাবোঁ। যিহেতু বস্তুকেন্দ্ৰিক অৰ্থাৎ বস্তুৰ প্ৰতি বেছিকৈ আকৰ্ষিত হোৱা দেখা যায়, ব্যক্তিৰ লগত বাৰ্তালাপ খুব কমকৈ কৰা হয় বাবেই মানৱতা কি? বুজিয়েই নাপায়।সেয়েহে বিপদত পৰা মানুহজনক সহায়ৰ হাত আগবঢ়াবলৈ আগবাঢ়ি যোৱা দেখা নাযায়। কোনোজনে হয়তো দূৰৈৰ পৰা প্ৰত্যক্ষ কৰি ভিডিঅ' বনাই সামাজিক মাধ্যমত প্ৰচাৰ কৰা দেখা যায়। সেয়েহে আমি আমাৰ সন্তানবোৰক সৰুৰে পৰাই মূল্যবোধৰ শিক্ষা প্ৰদান কৰাটো উচিত।

আন্তৰিকতা, সহযোগিতা, সহানুভূতি, মানৱতাবোধ আদি মূল্যবোধৰ শিক্ষা প্ৰদান কৰিলে হয়তো আমাৰ সন্তানে আধুনিক পৃথিৱীত জীৱন-নিৰ্বাহ কৰিলেও ব্যক্তিকেন্দ্ৰিক হ'বলৈ শিকিব। বিজ্ঞান-প্ৰযুক্তিয়ে আমাক যিখিনি দিছে সেয়া আমি গ্ৰহণ কৰি উন্নতিৰ জখলাত আগুৱাব লাগে। কিন্তু শিপা পাহৰি আধুনিকতাত ডুব যোৱাটো অনুচিত।আধুনিক পৃথিৱীত নিজকে হেৰুৱাই নেপেলাই মানুহৰ প্ৰতি মানৱতা জাগি উঠাটো অত্যন্ত জৰুৰী।

# শেৱালি তই নাযাবি আঁতৰি



মুন শৰ্মা, লখিমপুৰ

শেৱালি তই নাযাবি আঁতৰি,
প্ৰতি সন্ধ্যাত তলসৰা হৈ তই,
মোৰ চোতালত উমলি থাক,
নিগাজি ঠিকনাত থিতাপি লৈ।
সময় যে সমাগত কিছুদিন মাত্ৰ বাকী!
শৰতে মাগিব মেলানি ঐ,
দুখৰ পিঞ্জৰাত বন্দী হম,
সন্ধ্যা বোৰ উৰুঙা হ'ব,
তই ও যে যাবি আঁতৰি ঐ,
হেৰুৱাৰ মন নাই তোক কাষতে ঐ,
প্ৰতি পল কাষত পোৱাৰ তীব্ৰ হাবিয়াস।

# গোলকীয় উত্তাপ বৃদ্ধিৰ প্ৰকোপঃ আধুনিক পৃথিৱীৰ এক জলন্ত সমস্যা

ইমৰাণ আনছাৰি
প্ৰথম ষান্মসিক, বি. বৰুৱা মহাবিদ্যালয়



যোৱা কেইটামান দশক প্ৰযুক্তিগত বিকাশৰ ক্ষেত্ৰত যথেষ্ট ভূমিকা পালন কৰি আহিছে। এই বিকাশে মানুহৰ দৈনন্দিন জীৱন সুখ আৰু সহজময় কৰি তুলিছে। মানুহে প্ৰযুক্তি আৰু যন্ত্ৰৰ যথেষ্ট বিকাশ সাধন কৰিছে যিয়ে মানৱ জাতিৰ উন্নয়নৰ ক্ষেত্ৰত বাৰুকৈ সহায় কৰে। কিন্তু উন্নয়নৰ নামত এই বিকাশে মানৱ জীৱন সহজ কৰি তুলাৰ সমান্তৰালকৈ জীৱ বাসস্থি পৃথিৱীৰ যথেষ্ট ক্ষতি সাধনো কৰিছে; ইয়াৰ এক মুখ্য ক্ষতি হ'ল জলবায়ু পৰিৱৰ্তন। গোলকীয় উষ্ণতা বৃদ্ধিয়েই হৈছে জলবায়ু পৰিৱৰ্তনৰ মুখ্য কাৰণ ।

পৃথিৱীখন সৃষ্টিৰে পৰা প্ৰয়োজনীয় তাপ আৰু পোহৰ সূৰ্যৰ পৰা পাই আহিছে; যাৰ ফলত এই ধৰা পৃষ্ঠাত জীৱ কুল জীয়াই থকাটো সম্ভৱ হৈ আছে। কিন্তু বৰ্তমান সময়ত ধৰা পৃষ্ঠাৰ উত্তাপ ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে, যিয়ে বহুতো জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। গোলকীয় উষ্ণতা বৃদ্ধিয়ে পৃথিৱীৰ পৰিৱেশৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে যিয়ে আজিৰ সময়ত আমাক ইয়াৰ সমস্যাৰ সন্মুখীন কৰাইছে । গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে দায়ী হ'ল একমাত্ৰ মানুহ আৰু মানুহৰ কিছু অবিবেচক কাৰ্যকলাপ। অৰ্থনৈতিক উন্নয়নৰ নামত মানুহে পাৰিৱেশৰ উপাদানবোৰ বিচাৰহীন ভাবে যি হাৰে ধ্বংস কৰিব ধৰিছে তাৰ উপহাৰ হিচাপেই হয়তো মানৱ জীৱনলৈ নামি আহিছে গোলকীয় উত্তাপ বৃদ্ধিৰ দৰে পৰিঘটনা, যাৰ সমাধান হয়তো কম সময়ৰ ভিতৰত সম্ভৱ নহয়।

গোলকীয় উত্তাপ বৃদ্ধিৰ সমস্যা কোনো বিশেষ অঞ্চলৰ সমস্যা নহয়, ই সমগ্ৰ বিশ্ববাসীৰ বাবে এক জলন্ত সমস্যা। যদিও ই সামূহিক কিন্তু আমি নিজৰ নিজৰ অঞ্চল বা ৰাজ্যৰ কিছু বিচাৰহীন সম্পন্ন কাৰ্য এই ক্ষেত্ৰত আলোচনা নকৰিলে নহয়। ইছলাম ধৰ্মৰ প্ৰচাৰক হজৰত মহম্মদে এটি বাক্য কৈছে- "আনক মিঠাই খাবলৈ বন্ধ কৰোৱাৰ আগতে নিজে মিঠাই খোৱা বন্ধ কৰিব লাগিব। " সেয়ে সামগ্ৰীক দিশ আলোচনা কৰাৰ আগতে পোন প্ৰথমে আমি আমৰ অঞ্চল তথা অসমৰ কথা উল্লেখ কৰিব লাগিব।

মৌচুমী জলবায়ু ৰাজ কৰা অসমৰ বাসিন্দা হৈ আজিৰ সময়ত প্ৰশ্ন কৰিব লগা হৈছে যে "আমাৰ ইয়াত ৪০° ছে. আপোনাৰ ফালে কিমান?" এয়া কিন্তু ধেমালিৰ কথা নহয় । ইমান বেছি গৰম দিয়াটো এক চিন্তনীয় বিষয়। ১৭০৪ খ্ৰীষ্টাব্দত ছাৰ আইজাক নিউটনে ২০৬০ চনত পৃথিৱীৰ অন্ত পৰিব বুলি ভৱিষ্যত বাণী কৰিছিল ; আৰু এয়া চাগে এতিয়া বাস্তৱৰ দিশত আগুৱাইছে । মানুহে যি হাৰে গছ-গছনি কাটিব ধৰিছে, পকী অট্টালিকা বনোৱা, ৰাস্তা-ঘাট বনোৱাৰ নামত প্ৰকৃতি বিনষ্ট কৰি আহিছে ইয়াৰ ফলত প্ৰতি বছৰে ২° কৈ তাপমাত্ৰা বৃদ্ধি পাবলৈ ধৰিছে , বৰ্তমান গড় হিচাপে ৩৭° ; এনেকৈ বাঢ়ি গৈ থাকিলে অনুমান কৰা মতে ২০৬০ চনত হ'বগৈ ১০৯° একেবাৰে কম ১০০° । যিয়ে পৃথিৱী আৰু ইয়াৰ জীৱ কুলৰ যথেষ্ট ক্ষতি সাধন কৰিব বুলি ধাৰণা কৰিব পাৰি। গতিকে আমি আমাৰ দৈনন্দিন কাৰ্যক্ষেত্ৰত প্ৰকৃতিক সংযুক্ত কৰাৰ আগতে বিবেচনা কৰিব পৰা হ'ব লাগিব যে আমাৰ কাৰ্যৰ জৰিয়তে প্ৰকৃতিৰ কোনো ক্ষতি হৈছে নে? বা হ'লেও ইয়াৰ সমাধান কিদৰে কৰিব পাৰোঁ ! পোনেই এই বিষয়ে সজাগ আৰু সতৰ্কতা অৱলম্বন কৰিব লাগিব।

আজি অসমৰ বিভিন্ন অবিবেচক কাৰ্যকলাপে গোলকীয় উষ্ণতা বৃদ্ধিত বাৰুকৈ অবিহনা যোগাইছে। আজিৰ তাৰিখত চৰকাৰেই গছ- গছনি কাটিবলৈ আদেশ প্ৰদান কৰা দেখা পোৱা যায়। খৈৰাবাৰীৰ ৰেল ষ্টেচন নিৰ্মাণ কৰাৰ নামত এশ বছৰৰো অধিক কাল সেৱা আগবঢ়াই থকা দুজোপা বৃহৎ আহত গছ বিভাগীয় কতৃপক্ষই কাটি পেলায়। যদি আমিনগাঁওৰ পিনে চায় তেন্তে আপুনি দেখা পাব উদ্যোগ সমূহৰ পৰা কিমান যে কাৰ্বণ-মন-অক্সাইড নিৰ্গত হৈ আছে, ইটা ভাটাবোৰৰ পৰা ওলোৱা ধোৱা, ৰাস্তা- ঘাট, ঘৰ-দোৱাৰ নিৰ্মাণৰ নামত কিমান যে বনাঞ্চল কাটি আমি তহিলং কৰি আছোঁ, এইবোৰ এবাৰ চিন্তা পাইছোঁনে ! গতিকে উন্নয়নৰ নামত বিকল্প ব্যৱস্থা আৱন্ত নকৰি যধে মধে গছ - গছনি ধ্বংস কৰি থাকিলে গোলকীয় উষ্ণতা বৃদ্ধি পোৱাটো সাধাৰণ বিষয় হৈ পৰিব।

বিশ্বব্যাপী ঘটি থকা বহু প্ৰাকৃতিক ঘটনাৰ সৈতে গোলকীয় উষ্ণতা বৃদ্ধিৰ পৰিঘটনাও দৃশ্যমান হৈছে ; যিয়ে প্ৰতিটো জীৱিত প্ৰজাতিক প্ৰভাৱিত কৰিছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ কাৰণবোৰৰ সৰহভাগেই মানৱ নিৰ্মিত আৰু কিছু প্ৰাকৃতিক । আগ্নেয়গিৰিৰ উদগিৰণ, সেউজগৃহ গেছ আদিবোৰ প্ৰাকৃতিক, আনহাতে ঔদ্যোগিকৰণ, দ্ৰুত নগৰীকৰণ, বন ধ্বংস, অত্যধিক ইন্ধন ব্যৱহাৰ, অত্যাধুনিক মানৱ কাৰ্যকলাপ ইত্যাদি মানৱ নিৰ্মিত কাৰণ। এইবোৰ কাৰণৰ ফলত বায়ুমণ্ডলত নাইট্ৰছ অক্সাইড, মিথেন, কাৰ্বন - ডাই - অক্সাইড আৰু অন্যান্যকে ধৰি সেউজগৃহ গেছৰ নিৰ্গমন বৃদ্ধি পাইছেহি ।


বায়ুমণ্ডলৰ এনে ক্ৰমাগত উত্তপ্ত পৰিস্থিতি যদি নিয়ন্ত্ৰণ নহয় তেন্তে পৃথিৱীলৈ নামি আহিব ঘোৰ অমানিশা, যিয়ে হৈতো পৃথিৱীৰ পৰা চিৰদিনৰ বাবে দূৰ কৰি দিব জীৱ কুলৰ অস্তিত্ব । বায়ুমণ্ডলৰ উত্তাপ কমিলে যি দৰে পানী বৰফলৈ পৰিণত হয় ; ঠিক সেইদৰে উত্তাপ বাঢ়িলে বৰফে পানীৰ ৰূপ ধাৰণ কৰে । মেৰু অঞ্চলবোৰৰ লগতে সুউচ্চ পৰ্বতমালাত প্ৰায় ২৯ নিযুত ঘন পানী বৰফৰ ৰূপে জমা হৈ আছে। যদি এই বৃহৎ পৰিমাণৰ বৰফ গলি পানীলৈ ৰূপান্তৰিত হয় তেন্তে বৰ্তমানৰ সাগৰ পৃষ্ঠা বহু পৰিমাণে ওপৰলৈ উঠি আহিব; যিবোৰ দেশ বা অঞ্চল প্ৰায় পৃষ্ঠৰ উচ্চতাত অৱস্থিত যেনে ঠ মালেছিয়া, লাক্ষা দ্বীপ, আন্দামান নিকোবৰ দ্বীপপুঞ্জ , ভাৰতৰ দক্ষিণৰ ৰাজ্যবোৰৰ লগতে বিশ্বৰ বহুতো অঞ্চল নিমিষতে পানীত ডুব যাব । সেয়ে বহু ৰাজনীতিবিদে কয় যে, " ইন্ধনক কেন্দ্ৰ কৰি নহয়, তৃতীয় বিশ্বযুদ্ধৰ পাতনি মেলিব পানীক কেন্দ্ৰ কৰি।"

গোলকীয় উত্তাপ বৃদ্ধিয়ে ভিন্ন অঞ্চলৰ বৰষুণৰ ধৰণ সলনি কৰিব। ফলত- মেলেৰিয়া, ফাইলেৰিয়া, ইলিফেন্টাইটিছ বিভিন্ন বাহকৰ দ্বাৰা হোৱা ৰোগৰ প্ৰাৰ্দুভাৱ বৃদ্ধি কৰিব।

গোলকীয় উত্তাপ বৃদ্ধিয়ে কৃষিৰ ওপৰতো যথেষ্ট পৰিমাণে প্ৰভাৱ পেলাব । বহু ঠাইত শস্যৰ উৎপাদন হ্ৰাস পাই দুৰ্ভিক্ষই দেখা দিব। উত্তাপ বৃদ্ধিৰ ফলত শুকান পৰিৱেশৰ সৃষ্টি হ'ব। মৰুভূমি অঞ্চলৰ সীমাত থকা গছ - গছনি মৰহি যাব আৰু মৰুভূমিৰ পৰিসীমা বৃদ্ধি পোৱাটো নিশ্চিত।

গতিকে সমগ্ৰ আলোচনাৰ পৰা এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে আমাৰ পৃথিৱীখন এক অসুস্থ পৰিৱেশত ককবকাই আছে ; আমাৰ পৰা সাহায্য পোৱা আশাৰে। বিদ্যালয়ত পঢ়ি থকাৰ সময়ত কোনোৱে যদি ভুল কৰি স্বীকাৰ কৰা নাছিল তাৰ বাবে শিক্ষকে সকলোকে শাস্তি। ঠিক সেইদৰে আজিৰ দিনত কিছু সংখ্যক মানুহৰ প্ৰকৃতি বিৰোধী কামৰ বাবে সকলো জীৱিত প্ৰাণীয়ে ইয়াৰ কুফল ভোগ কৰিব লগা হৈছে । যিয়েই নহওঁক ; যিহেতু আমি মানৱ জীতিৰ বিভিন্ন কাৰ্যকলাপ বাবে গোলকীয় উষ্ণতা বৃদ্ধি পাবলৈ ধৰিছে সেয়ে আমি মানুহেই এই সমস্যা ৰোধ কৰিবলৈ এখোজ আগুৱাই আহিব লাগিব। বায়ুমণ্ডলত অক্সিজেন আৰু বৰষুণৰ পৰিমাণ বৃদ্ধিৰ বাবে গছ ৰোপণ কৰি, কল-কাৰখানাৰ ব্যৱহাৰ সীমিত কৰি, অৰণ্য ধ্বংসৰ বিপৰীতে ইয়াৰ পৰিসৰ বৃদ্ধি কৰি, পৰিৱেশ অনুকূল কৰি ৰাখিবলৈ বিকল্প ইন্ধনৰ আবিষ্কাৰ কৰি আমি হৈতো গোলকীয় উত্তাপ বৃদ্ধি ৰোধ কৰিব পাৰিম ; আৰু এয়া আমাৰ দায়িত্ব আৰু কৰ্তব্য । এই সমস্যা সমগ্ৰ বিশ্ববাসীৰ, সমগ্ৰ মানৱ জাতিৰ । সেয়ে ইয়াক ৰোধ কৰিবলৈ প্ৰতিজন ব্যক্তি, প্ৰতিটো ৰাষ্ট্ৰ একত্ৰিত হৈ উমৈহতীয়া হিচাপে সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। অন্যথা মানৱ জাতিৰ অস্তিত্ব চিৰদিনৰ বাবে এই পৃথিৱীৰ বুকুৰ পৰা নোহোৱাটো নিশ্চিত বুলিব পাৰি।

## পৰ্ণপাতী



ইমন বেজবৰুৱা,জোনাকী নগৰ,গোলাঘাট

গছবোৰ লঠঙা হৈছে।
অত দিনে লুকাই থকা
ডালবোৰৰ একা বেকাবোৰ
ধৰা পৰিছে!
ফাগুনে লঠঙা কৰা ডালবোৰে
বহাগলৈ বাট চাই ৰয়?
সেউজী আৱৰণ এটাৰে আকৌ
একাবেকাবোৰ ঢাকি ৰখাৰ প্ৰত্যাশাত।
আমিও চোন গছৰদৰেই
পৰ্ণপাতী
আৱৰণত থকাৰ সাধনাই যেন জীৱন।
মাজে মাজে ধৰা দিয়ে আমাৰ লঠঙা মনবোৰে।

# চৰিত্ৰপাঠ আৰু আজিৰ ৰাজনৈতিক নেতা



**ৰাতুল মহন্ত**

মানুহ সামাজিক প্ৰাণী। আদিম কালৰে পৰা মানুহে সমাজ পাতি বসবাস কৰি আহিছে। একো একোজন ব্যক্তিৰ ধ্যান ধাৰণা, ৰীতি নীতি, আচৰণ সকলতে সমাজৰ অপৰিসীম প্ৰভাৱ পৰে। আমাৰ চৌপাশৰ পাৰিপাৰ্শ্বিক পৰিবেশৰ ওপৰত নিৰ্ভৰ কৰিয়ে আমাৰ মানসিকতা গঢ় লৈ উঠে। অৰ্থাৎ এজন মানুহৰ চৰিত্ৰ গঢ় লোৱাত তেওঁ বাস কৰা সমাজখনৰ অপৰিসীম ভূমিকা আছে। আমি প্ৰথম শ্ৰেণীত (বৰ্তমানৰ তৃতীয় শ্ৰেণী) “ৰজা আৰু ভাটো চৰাই” নামে এটা পাঠ পঢ়িছিলো। পাঠটোৰ মূল বক্তব্য আছিল যে সৰুৰে পৰা মানুহ যি পৰিবেশত ডাঙৰ-দীঘল হয় তাৰ প্ৰভাৱ মানুহৰ ওপৰত পৰে আৰু মানুহে তেনে আচৰণেই কৰে। অৰ্থাৎ মানুহ হ’ল পৰিবেশৰ দাস।

মানুহৰ স্বভাৱ চৰিত্ৰ গঠন হ’বলৈ কিছুমান আৰ্হিৰ প্ৰয়োজন। কিন্তু তেনে আৰ্হি বিলাক কিতাপৰ কল্প কাহিনীতকৈ জীৱন্ত মানুহৰ পৰা ল’ব পাৰিব লাগিব। দধীচি মুনিয়ে দহৰ হিতৰ বাবে নিজৰ দেহ ত্যাগ কৰিছিল। এই কল্প কাহিনীটোৰে ছাত্ৰ-ছাত্ৰী বা নৱপ্ৰজন্মক যিমান মোহাচ্ছন্ন কৰিব, তাতকৈ হাজাৰ গুণে বেছি শিক্ষা দিব শৰৎচন্দ্ৰ সিংহৰ জীৱনটোৰ বিষয়ে জানিলে। এখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ কন্যাৰ বিবাহ। অতিথি আপ্যায়ন কৰিছে পিঠা আৰু চাহপানীৰে। বিবাহ নে পানী শৰাধ একো ধৰিবই নোৱাৰি। ৰাজ্যৰ মুখ্যমন্ত্ৰীহে! চৰকাৰী চাকৰিয়ালতো নহয়! কেইটকানো পায়? সেয়েহে মুখ্যমন্ত্ৰী জনে ঘৰ এটাৰ বাবে মাটি অকণো যোগাৰ কৰিব নোৱাৰিলে। বিমলা প্ৰসাদ চলিহাৰ চেক বাউন্স হোৱাৰ কাহিনীটো! মুখ্যমন্ত্ৰী হৈ ভাবিলে এম্বেচাদৰ এখন লওঁ। সেইমতে আগধন দিলে আৰু এদিন নতুন গাড়ীত উঠি চৰকাৰী ঘৰ পালেহি। এসপ্তাহ মানৰ পাছতে হিন্দুস্থান কোম্পানীৰ মানুহ আহি হাজিৰ। চলিহাক কলে, “আপোনাৰ একাউণ্টত পোন্ধৰ হাজাৰ নাই নহয় ছাৰ। সেয়ে চেকখন বাউন্স হ’ল।“ মুখ্যমন্ত্ৰীয়ে উপায় নেদেখি পৈত্ৰিক সম্পত্তিৰ মাটি একঠা বিক্ৰী কৰি গাড়ীৰ ধাৰটো মাৰিলে।

গুৱাহাটীৰ পৰা ৰঙা বাচত আহি গোলাঘাট পাই মানুহজনে ইফালে সিফালে চাই কাকো নেদেখিলে। মেৰাপানীৰ চাওদাং পথাৰত পাছদিনা হ’ব লগা সভা এখনলৈ তেওঁ আহিছিল। পিছে তেওঁক নিবলৈ কোনো নহাত নগৰতে থকা লখিমী মেডিকেল ষ্টৰৰ বাৰাণ্ডাত থকা বেঞ্চ এখনতে ভাবি চিন্তি বহি আছিল। গোলাঘাটৰে চিকিৎসক অজিত বৰুৱাই দেখি কথা বতৰা পাতি ৰিক্সা এখনত আৱৰ্ত ভৱনলৈ পঠাই দিলে আৰু ৰাতিৰ সাজ ভিনিহিয়েক, গোলাঘাট কমাৰ্চ কলেজৰ অধ্যক্ষ পুণ্যৰাম নেওগৰ ঘৰতে খোৱাৰ ব্যৱস্থা কৰি পাছদিনা স্কুটাৰৰ পিছৰ চিটত বহুৱাই পাবলিক বাচত মেৰাপানীলৈ পঠাই দিলে। চিকিৎসক অজিত বৰুৱাই সহায় কৰা সেই মনুহজন কোন আছিল জানেনে? তেওঁ আছিল অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰা। এখন ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ৰঙা বাচত আহি ৰিক্সাত উঠি আৱৰ্ত ভৱনলৈ যোৱা, স্কুটাৰত উঠি আহি মেৰাপানীলৈ বেচৰকাৰী বাচত যোৱা আদি কথা বিলাকে প্ৰাচীন কালৰ জনক ৰজাৰ কথালৈ, যি ৰজা হৈয়ো মাটি কৰ্ষণ কৰিছিল, মনত নেপেলায়নে বাৰু?

সৰ্বজন শ্ৰদ্ধেয় নগেন শইকীয়া ছাৰ তেতিয়া ৰাজ্যসভাৰ সদস্য। মাহে পোন্ধৰশ টকাৰ মাননি। ঘৰলৈ ৰাজ্য তথা দেশৰ বৰমুৰীয়া সকলৰ সঘন আহযাহ। ছাৰৰ অকণমানি অসম আৰ্হিৰ ঘৰটোত আলহী ৰাখিবলৈ অসুবিধা দেখি এসময়ত শিক্ষকতা কৰা পিতৃয়ে হাতীয়েখোৱাৰ গাঁৱত থকা মাটি অলপ বিক্ৰী কৰিবলৈ পৰামৰ্শ দিছিল। মানুহে অনাবিল সুখ পাবলৈ, জীৱনটো প্ৰাণ পাচুৰ্যময় কৰি তুলিবলৈ নিৰ্লোভ হ’ব লাগিব আৰু এই কথাটো ছাত্ৰ-ছাত্ৰীক, উদাহৰণ সহ কবলৈ কাল্পনিক কাহিনীৰ আশ্ৰয় লোৱাতকৈ এই কাহিনী বিলাক ক’লে বেছি ফলপ্ৰসূ হ’ব। আজিৰ প্ৰজন্মই যুক্তিক প্ৰধান্য দিয়ে। কাল্পনিক দধীচি মুনিৰ দেহত্যাগৰ কাহিনীত কৈ শৰৎচন্দ্ৰ সিংহ, বিমলা প্ৰসাদ চলিহা, আৰু ড° নগেন শইকীয়া ছাৰৰ এনে কাহিনী বিলাকে তেওঁলোকৰ মনোজগত নিস্বাৰ্থ দেশপ্ৰেমৰ প্ৰতি আকৃষ্ট কৰিব।

দেশ মাতৃৰ সেৱা কৰাটো প্ৰত্যেক গৰাকী নাগৰিকৰে পৰম পৱিত্ৰ কৰ্তব্য। জন্মভূমিৰ সেৱাত জীৱন আহুতি দিয়াটো সৌভাগ্যৰ কথা। এই কথা কবিতাৰ ভাষাৰেও ইংৰাজ কবি “ৰুপাৰ্ট ব্ৰুক”ৰ পৰা হেম বৰুৱা লৈকে সকলোৱে কৈ গৈছে। হেম বৰুৱাই কৈছে-

“ যি মৃত্যুৱে দহক জীৱন দিয়ে
সেই মৃত্যু আত্মাৰ দৰেই
অবিনশ্বৰ”

সাম্প্ৰতিক সময়ত দেখা গৈছে, পিতৃ-পিতামহ, প্ৰ- পিতামহ স্বাধীনতা সংগ্ৰামী আছিল বাবেই তেওঁলোকে চৰকাৰৰ ঘৰৰ পৰা পঢ়া-শুনা, চাকৰি সকলোতে বিশেষ সুবিধা লৈ আহিছে। কিন্তু বহু স্বাধীনতা সংগ্ৰামীয়ে অনেক অত্যাচাৰ সহ্য কৰিও পাছৰ কালত স্বাধীন চৰকাৰে দিব খোজা সাহায্যও গ্ৰহণ কৰা নাছিল। তেজপুৰৰ নিকামুল সত্ৰৰ অধিকাৰ গহন চন্দ্ৰ গোস্বামী আছিল তেনে এগৰাকী ব্যক্তি। তেওঁৰ ওপৰত ব্ৰিটিছৰ চকুপৰিছিল আৰু সত্ৰৰ ৭৯ বিঘা মাটি ব্ৰিটিছে বাজেয়াপ্ত কৰিছিল। স্বাধীনতাৰ পৰবৰ্তী কালত গোপীনাথ বৰদলৈয়ে সেই মাটিৰ মূল্য দিব খোজোতেও লোৱা নাছিল। ঠিক তেনেদৰে দেৰগাঁও কাথবাপু সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত কমলেশ্বৰ মহন্তৰ ১৯৩২ চনতে ত্ৰিছ হাজাৰমান টকাৰ মূল্যৰ সম্পত্তি ব্ৰিটিছে বাজেয়াপ্ত কৰিছিল। পৰবৰ্তী সময়ত বিমলা প্ৰসাদ চলিহা মুখ্যমন্ত্ৰী হৈ ১৯৭৩ চনত মহন্তক দুশ বিঘা মাটি দিব খুজিছিল যদিও গ্ৰহন নকৰিলে।

এনেধৰণৰ নিৰ্লোভ চৰিত্ৰ বিলাকৰ জীৱনী জানিলে ছাত্ৰ ছাত্ৰী সকল নিশ্চয় অনুপ্ৰাণিত হ’ব। “জন্মভূমিৰ সেৱাৰ বিনিময়ত পইছা আৰু সুযোগ সুবিধা লব নেপায়”-এই ধাৰণাটো ছাত্ৰ-ছাত্ৰীয়ে হৃদয়ঙ্গম কৰিব পাৰিলেই সমাজৰ পৰা অনেক সমস্যা আপোনা আপুনি নাইকিয়া হৈ যাব।


এখন সমাজৰ মূল্যবোধৰ পৰিবৰ্তনত নাট্যাভিনয়ে সৰ্বোৎকৃষ্ট ভূমিকা পালন কৰিব পাৰে । নাট্যাভিনয়ৰ জৰিয়তে কোনো এটা ভাৱধাৰা, সামাজিক, ৰাজনৈতিক তথা অৰ্থনৈতিক সমস্যাক যিমান গভীৰভাৱে শ্ৰোতা- দৰ্শকমণ্ডলীক জনাব পাৰে সেইকাম সাহিত্যৰ আন ভাগসমূহ- গল্প, কবিতা বা উপন্যাসে নোৱাৰে। আপুনি যদি “কাৰেল চ্ছাপেক”ৰ গল্প পঢ়ি ভাল পায় তেন্তে তেওঁৰ গল্প সমূহৰ ভাৱধাৰাই কেৱল আপোনাকহে আকৃষ্ট কৰিব পাৰিব, নপঢ়াজনক নোৱাৰে, টলষ্টয়ৰ “ যুদ্ধ আৰু শান্তি” বা হেমিংৱেৰ উপন্যাস পঢ়ি তাৰ ভাৱাদৰ্শ বুজি পাবলৈ সকলো সক্ষম নহ’বও পাৰে কিন্তু শ্বেইকছপীয়েৰৰ অথেল’, মেকবেথ বা হেমলেটৰ অভিনয় চাই সাধাৰণ মানুহো এবাৰতে আকৃষ্ট হ’ব পাৰে, জ্ঞান ল’ব পাৰে আৰু সেই ভাৱাদৰ্শৰে নিজক প্ৰস্তুত কৰিব পাৰে। সেয়েহে ইউৰোপত শ্বেইকছপীয়েৰৰ নাটকসমূহ সহস্ৰবাৰ মঞ্চস্থ কৰা হ’লেও দৰ্শকৰ অভাৱ নহয়। দুঘণ্টাৰ নাট্যাভিনয়ে একেটা সময়তে হাজাৰ হাজাৰ লোকক যি শিক্ষা দিব পাৰে সেই শিক্ষা কবিতা, গল্প, উপন্যাসে দিব নোৱাৰে। সেয়েহে কোনো এটা ভাৱধাৰাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে, কিবা এটা সমস্যা জনসাধাৰণৰ সমূখত তুলি ধৰিবলৈ নাট্যমঞ্চই অদ্বিতীয় ভূমিকা ল’ব পাৰে। প্ৰণিধানযোগ্য, আমাৰ মহাপুৰুষ দুজনায়ো ভক্তি ধৰ্মৰ ৰস চহা সমাজত বহুল প্ৰচাৰ কৰিবলৈকে ভাওনাৰ আশ্ৰয় লৈছিল।

আমি মহাবিদ্যালয়ত পঢ়া সময়ত বিধানসভাৰ অধিবেশন দেখুৱাবলৈ নিয়াৰ নিয়ম আছিল আৰু এইক্ষেত্ৰত তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীসকলে বিশেষ সুবিধা পাইছিল আৰু তেওঁলোকে বিধানসভাত উপস্থিত থাকি দুৰ্লভ অভিজ্ঞতা পাবলৈ সক্ষম হৈছিল।

আগলৈ....

## মধুসুধন

**অনামিকা (সংগীতা) কলিতা,গুৱালকুছি**



শ্ৰীমদ্ ভাগৱতৰ দশম স্কন্ধে
বৰ্ণিত শ্লোকৰ ছন্দে ছন্দে
প্ৰেমৰ অমৃত নদী,
যোল্ল হাজাৰ গোপীৰ সঙ্গে কৰিলা ৰাস লীলা
জগতৰ মায়াক বান্ধি।
নিস্বাৰ্থ প্ৰেমৰ হেতু
ভক্ত আৰু ভগৱানৰ মাজত বান্ধিলেক সেতু
হে প্ৰভু সনাতন তোমাৰ কৰুণা অপাৰ,
জন্মিয়ে কৰিলা অসুৰ বধ
আঁতৰাই পিতৃ মাতৃৰ কৰুণ কাতৰ।
নন্দৰ ঘৰে পালিত শৈশৱৰ দুলাল
দেখুৱালা যশোদাক জগতৰ অভিমান,
তোমাৰ চৰণে ভাৰত পৰশে
মঠুৰা বৃন্দাবনৰ মাজে আজিও সুৰৰ ধ্বনী বাজে।
ধৰ্ম আৰু কৰ্ম সংস্কৃতিৰ মোৰ গাঁও
তোমাৰ লীলাৰ মৃন্ময় মূৰ্ত্তি সাজিলেক ধাম।
তুমিয়েতো কেশৱ কৃষ্ণ কৰুণা সিন্ধু,
ত্ৰাহি জগন্নাথ অনাথ বন্ধু।

# ৰাষ্ট্ৰীয় শিক্ষা দিৱস



বন্দিতা শৰ্মা কন্দলি

প্ৰতি বছৰে ১১ নৱেম্বৰ তাৰিখে ভাৰতত ৰাষ্ট্ৰীয় শিক্ষা দিৱস পালন কৰা হয়। ১৮৮৮ চনৰ ১১ নৱেম্বৰত চৌদি আৰবৰ মক্কাত জন্ম গ্ৰহণ কৰা স্বাধীন ভাৰতৰ প্ৰথমজনা শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদৰ জন্ম দিনটোত তেখেতৰ কৰ্মৰাজীৰ প্ৰতি সন্মান জনাই ২০০৮ চনৰ পৰা মানৱ সম্পদ মন্ত্ৰালয়ৰ অনুমোদন ক্ৰমে ৰৰ নৱেম্বৰত 'ৰাষ্ট্ৰীয় শিক্ষা দিৱস' পালন কৰি অহা হৈছে।

কালামৰ সম্পূৰ্ণ নামটো হৈছে মৌলানা আবুল কালাম গোলাম মুহিউদ্দিন আহমেদ বিন খাইৰুদ্দিন আল হুচেইনী আজাদ। মৌলানা আজাদ হিচাপেহে তেওঁ জনাজাত। তেওঁৰ পিতৃ আছিল মহম্মদ খাইৰুদ্দিন আৰু মাতৃ আছিল শ্বেইখ আলেয়া বেগম। তেওঁ আনুষ্ঠানিক শিক্ষাৰ পৰিৱৰ্তে ঘৰতে উৰ্দু, পাৰ্চী, আৰবী, হিন্দী শিকি সাহিত্য, দৰ্শন আৰু ধৰ্ম আদিত অসাধাৰণ প্ৰতিভাৰ পৰিচয় দিছিল। আজাদে দিল্লীত থাকিহে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিছিল। তেওঁৰ ১২ বছৰ বয়সতে 'নৈৰংগ ই আলম' নামৰ একমাত্ৰ কবিতা পুথি খন প্ৰকাশ পায়। 'মাখজান' নামৰ আলোচনী খনতে তেওঁৰ প্ৰথম প্ৰবন্ধ প্ৰকাশ পায়। তেওঁ মুঠ ২২ খন পুথি ৰচনা কৰিছিল। তাৰ ভিতৰত 'অনমনীয় জাতীয়তাবাদী', 'ইণ্ডিয়া উইন্ ছ ফ্ৰীডম', 'তৰ্জুমন -উল-কোৰান' আৰু আত্মজীৱনী খনেই উল্লেখযোগ্য।

গান্ধীজীৰ সংস্পৰ্শলৈ আহি তেওঁ স্বাধীনতা আন্দোলন, সত্যাগ্ৰহ আন্দোলন, গান্ধীৰ দণ্ডিযাত্ৰা আদিত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি কাৰাবৰণ খাটিবলগীয়া হৈছিল। ১৯২০ চনত তেওঁ প্ৰথম জাতীয় কংগ্ৰেছত যোগদান কৰি ৰাজনৈতিক জীৱন আৰম্ভ কৰে। ১৯২৩ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি আছিল। দেশৰ সেৱাত আত্মনিয়োগ কৰা বহুলোকৰ কষ্ট আৰু ত্যাগৰ বিনিময়ত ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰা ভাৰতৰ প্ৰথমজনা শিক্ষামন্ত্ৰী হৈ মৌলানা আজাদে প্ৰাথমিক শিক্ষা ব্যৱস্থা বিনামূলীয়া হোৱাটো গুৰুত্ব দিছিল। তেওঁ বিদ্যালয়সমূহক দেশৰ মানৱ সম্পদ গঢ়াৰ কাৰখানা বুলি অভিহিত কৰিছিল। সেয়ে তেওঁ শিশু শিক্ষা, ছোৱালীৰ শিক্ষা, দুখীয়া শ্ৰেণীৰ শিক্ষা আৰু সকলোৰে বাবে শিক্ষাৰ অধিকাৰ পোষকতা কৰিছিল। তেখেতে শিক্ষাৰ মানদণ্ড উন্নত হোৱাতো বিচাৰিছিল। তেওঁৰ দিনতে উচ্চ শিক্ষা প্ৰতিষ্ঠান আই আই টি, বিশ্ববিদ্যালয়ৰ অনুদান আয়োগ, স্কুল প্লেনিং এণ্ড আৰ্কিটেক্সাৰ আদি গঠন কৰিছিল। সেয়ে তেওঁক আধুনিক ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বাটকটীয়া বুলি কোৱা হয়। এইজনা মহান ব্যক্তিৰ ১৯৫৮ চনৰ ২২ ফেব্ৰুৱাৰীত মৃত্যু হয়। শিক্ষা ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে ১৯৯২ চনত মৰণোত্তৰভাৱে ভাৰতবৰ্ষৰ সৰ্বোচ্চ সন্মান 'ভাৰতৰত্ন' বঁটা ৰে ভাৰত চৰকাৰে সন্মানিত কৰে।

# যামিনীৰ সপোন




মাৰ্জিনা বেগম, বৰপেটা

নাৰী! নাৰীৰ হাতততেই হেনো অৰ্ধ আকাশ। সেই আকাশখন কোন খন! যি আকাশৰ তলত নাৰী পদে পদে লজ্জিত, বঞ্চিত, নিৰ্যাতিত সেইখন আকাশেই নেকি? যি আকাশৰ তলত তাই বাস কৰি আহিছে, য'ত এগৰাকী নাৰী জীয়াই থাকিবলৈ জন্মৰে পৰা আৰম্ভ হৈ যায় দেহৰ সৈতে দহৰ সৈতে জীয়াই থকাৰ যুদ্ধ, সুখী কৰাৰ যুদ্ধ। জন্ম দিয়া ঘৰখনতেই এটা সময়ত বোজা হৈ পৰে। যিমান সোনকালেই সম্ভৱ আনৰ ঘৰত পঠিয়াব পাৰিলেই ৰক্ষা! আনৰ ঘৰত যাবলৈও সৃষ্টিকৰ্তাৰ সৃষ্টিতো তুমি নিখুঁত হ'ব লাগিব, নহ'লে নিজৰ মন মগজু বিসৰ্জন দি নৈৰ সোঁতত উটি যোৱা খাগৰি - বিৰিণাৰ দৰে য'ত লাগি ধৰিব তাতেই থিতাপি ল'ব লাগিব। তেনেকৈয়েতো তাই এদিন এইখন ঘৰত ভৰি থৈছিল। আজি অতটা বছৰ পাৰ হ'ল কিমান কি যে সলনি হোৱা নাই তাইৰ জীৱনত! তাই জানো নিজৰ বাবে জীয়াব পাৰিছে এটা দিন! নাই নাই কি যে ভাবে তাই এইবোৰ। নিজৰ ছোৱালীজনী ডাঙৰ হৈ আহিছে তাইক নিজৰ ভৰিত থিয় হ'ব পৰাকৈ কিবা এটাত যোগ্য কৰি তুলিব লাগিব। ছোৱালীজনীৰ মাজতেই তাইৰ মনৰ তৃষ্ণা আঁতৰাব।

ঃ মা মা ক'ত আছা ?

কথাবোৰ ভাবি থাকোঁতে কিমান সময় হ'ল তাই গমেই নাপালে। আচলতে এনেকুৱা কথাবোৰ মনত পৰিলে তেওঁ অন্য এক পৃথিৱীত হেৰাই যায়। কত কি যে চিন্তা তাইৰ। সেই তেতিয়াই ছোৱালীজনী লগৰ জুমিৰ সৈতে নৈৰ পাৰলৈ যায় বুলি কৈ গৈছিল এতিয়া আহিয়ে মাত দিছে চাগৈ। তাই পিছফালে বহি থকাৰ পৰা উঠি আহিল।

ঃ মা চা চোন এয়া কি লৈ আহিছোঁ

ঃ চাওঁ.. কি আনিছা!

মুনুৱে কোঁচাই অনা ফ্ৰকখন মাকৰ সন্মুখত দাঙি ধৰিলে। তাত চাৰিটা কণী। খৰালি কালত নৈৰ পাৰত ভিন্ ভিন্ প্ৰান্তৰ পৰা পৰিভ্ৰমী চৰাই আহে, তাতেই ৰাজহাঁহে কণী পাৰে। নৈৰ পাৰলৈ যাওঁতে মানুহে সেইবোৰ

(বাৰপৃষ্ঠাত চাওক)

# আমাৰ এম'ই স্কুলৰ ছাৰসকল আৰু আমি

আছিৰ উদ্দিন সিং, ধুবুৰী



ছাৰসকল আছিল সহজ - সৰল
দুষ্ট আছিলোঁ আমি ;
পঢ়াৰ নামত দুষ্টালি কৰাত
হাতত পৰিছিল লাঠি।
সহপাঠীক আমি "তই" বুলি
সদায় দিছিলোঁ মাত;
যাৰ মাজত আছিল লুকাই
নেদেখাকৈ অপূৰ্ব সোৱাদ।
এল, পি-এম, ই উচ্চ মাধ্যমিক মিলি
বৃহৎ খেল পথাৰ এখন;
তিনি গোটৰ ছাত্ৰ-ছাত্ৰী মিলি
খেলা-ধূলাত উল্লাসিত মন।
আজগৰ ছাৰৰ অসমীয়া বিষয়
পেগুছাৰৰ সমাজ বিজ্ঞান;
ছিদানন্দপেগু ছাৰ মনত নপৰে কাৰ
সংগীততো আছে যথেষ্ট জ্ঞান।
কেতিয়াবা খং বাঁহৰ বেতৰ কোব
নিশ্চয় মৰম ভালপোৱা;
মনত ৰাখিম আমি নেপাহৰিম
ছাৰে দিয়া নীতি-নিৰ্দেশনা।
সেৱাপতছাৰ গণিত, আমিৰুল ছাৰ আৰবী
ইংৰাজী বিষয় মহেন ৰয় ছাৰ;
পঠন প্ৰণালী অংগী- ভংগি
ভুল ধৰিব সাধ্য আছেনো কাৰ?
মুক্তাৰ ছাৰৰ বুজনি চাহালম ছাৰৰ অংকত
পানীৰ নিচিনা সকলো অনুকুল;
মনত থাকিব বৈ আজীৱন স্মৃতি হৈ
আমাৰ "খেইৰাৰ চৰ এম'ই স্কুল"।
মই আছিৰ, মনোৱাৰ মতলেব, ৰফিকুল
সহপাঠী আছিলোঁ একেলগে;
মৰিয়ম, মোনা, ছুপিয়া, নাজিমা
এতিয়াও মনত পৰে।
মাহমাদুল হাছান হাফিজুল ইছলাম
আচাৰ- আচৰণ শান্ত প্ৰকৃতিৰ;
হাবিবুল্লাহ সেখ ছাদ্দাম হোছেইন
আমি সদায় আছিলোঁ মিলিজুলি।
নুৰজামাল হক সহিদুল ইছলাম
ক'বলৈ ভাষা বিচাৰি নাপাওঁ;
মনে বিচাৰে সেই দিনলৈ
যেন আকৌ উভতি যাওঁ।
বিদ্যালয়ৰ পাঠদান কাজিয়া-পেচাল
মনলৈ সুৱৰি আহে সেই স্মৃতি;
চমতুল্লা-ছাইৰুদ্দিন জাকাৰিয়া আহমেদ
আমি আছিলোঁ সহপাঠি।
আজগৰ ছাৰ গল্প কৈছিল মজাৰ
উপমা হিচাপে ক্লাছৰ মাজত;
অবানী বায়ন ছাৰ শিকাইছিল ন ন বিষয়
কাম্য সদায় ছাৰসকল কুশলে থাকক।
চিনি পাব নিশ্চয় আশাকৰোঁ মই
নামনি অসমৰ ধুবুৰী জিলাৰে ঠাই;
বিলাসীপাৰা শিক্ষাখণ্ডৰ অন্তৰ্গত হয়
গুটিপাৰা খেইৰাৰচৰ এম ই স্কুল ভাই।
সময় বাগৰি যাব মনত থাকিয়ে ৰ'ব
একেলগ বহু কৰিছোঁ হুলস্থুল;
এটা খেলপথাৰ চাৰিওকাষে খেইৰাৰচৰ এল পি,
এম ই আৰু গুটিপাৰা হাই স্কুল।

# বোকাখাত সমজিলা প্ৰশাসনৰ

সমৃদ্ধি বৃদ্ধিৰ বাবে নৱপ্ৰজন্মক সাহিত্য সংস্কৃতিৰ প্ৰতি উৎসাহিত কৰিব লাগে বুলি ভাষণ প্ৰসংগত মন্তব্য কৰে মন্ত্ৰী অতুল বৰাই। বোকাখাত সমজিলাৰ সমজিলা আয়ুক্ত শিৱানী জেৰ্ণগলে আজিৰ আলোচনা সভাৰ আদৰণি ভাষণ আগবঢ়ায়। বোকাখাত সমজিলাৰ সহকাৰী আয়ুক্ত কুশল কলিতাই উক্ত আলোচনা সভাৰ আঁত ধৰে। সমজিলা প্ৰশাসনৰ তৰফৰ পৰা অসমীয়া ভাষা সাহিত্যৰ প্ৰতি উৎকৃষ্ট বৰঙণি আগবঢ়োৱা ছয়গৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে প্ৰয়াত চিদানন্দ শইকীয়া, প্ৰয়াত গোলাপ খাউণ্ড, প্ৰয়াত ভৱেশ শইকীয়া, প্ৰয়াত মহেন্দ্ৰ নাথ হাজৰীকা, ড° বিভা বৰা আৰু সুৰেণ বড়িক সম্বৰ্ধনা জনোৱা হয়। বোকাখাতৰ পৌৰপতি, উপ-পৌৰপতি, আমন্ত্ৰিত অতিথি সকল, জ্যেষ্ঠ নাগৰিক সকল, বিভিন্ন দল সংগঠনৰ প্ৰতিনিধি আৰু স্থানীয় লোকে আজিৰ আলোচনা সভাত অংশগ্ৰহণ কৰে।

# নীলমণি ফুকন দেৱৰ

দিলীপ কুমাৰ শৰ্মা আৰু অনুষ্ঠানৰ আতধৰে প্ৰাণজিৎ মহন্ত। উপাধ্যক্ষ ড° যুগেশ চন্দ্ৰ দাস আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শ্ৰদ্ধাৰ কবি সমালোচক আনিজ উজ জামান, গৰয়সীৰ প্ৰাক্তন উপ সম্পাদক সাংবাদিক অংকুৰ ডেকা ডাঙৰীয়া প্ৰমুখ্যে পূব বংশৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° ধ্ৰুব জ্যোতি মালাকৰ আৰু বিভিন্ন গন্য মান্য ব্যক্তি। উক্ত অনুষ্ঠান সেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে নীলমণি ফুকন কবিতা আবৃত্তি কৰে লগতে কবি মলিন কলিতা, চম্পক মালাকৰ, নীলিমা দাস, যমুনা দুলু বৈশ্য, অনামিকা(সংগীতা)কলিতা, ইলা ভৰালী, কুমাৰী কামদা বৈশ্য আৰু সাংবাদিক হৰিপ্ৰসাদ দাস ইত্যাদি কবি লেখক-লেখিকা সকলে স্ব- কবিতা পাঠ কৰে। সভাত উপস্থিত প্ৰায় আশী গৰাকীমান ছাত্ৰ-ছাত্ৰী, লেখক-লেখিকা, সাংবাদিক উপস্থিত থাকে। বিশিষ্ট ব্যক্তি সকলে তেওঁলোকৰ ভাষণত নীলমণি ফুকনৰ কবিতাৰ ওপৰত নিজৰ অনুভৱ দাঙি ধৰে লগতে বৰ্তমান সাহিত্যৰ ক্ষেত্ৰত নতুন লেখক সকলৰ যি অৰিহণা আগবঢ়াবলৈ সক্ষম হৈছে তাক ভুয়সী প্ৰশংসা কৰাৰ লগতে সাহিত্যৰ ক্ষেত্ৰত নতুন লেখক লেখিকাৰ উদ্দেশ্যে ইতিবাচক দিশ সমূহ আলোকপাত কৰি সভাখন মনোগ্ৰাহী কৰি তোলে। সভাৰ শেষত আটাইলৈ শলাগৰ শৰাই আগবঢ়াই অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক অতুল চন্দ্ৰ দাস। সদৌ শেষত ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক অনিমা বৈশ্যৰ সহযোগিতাত জাতীয় সংগীতেৰে সভাৰ সমাপ্ত হয়।

# দৰঙত ভাষা গৌৰৱ সপ্তাহৰ

হোৱা নাছিল সেইসময়ত অসমৰ থলুৱা ভাষাত আন্তৰ্জাতিক পৰ্যায়ত সাহিত্য ৰচনা হৈছিল । তেওঁ সকলোকে অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ আৰু বাতৰি কাকত পঢ়িবলৈ আহ্বান জনায়। সভাত আদৰণি ভাষণ প্ৰদান কৰি দৰঙৰ জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে বিভিন্ন সংগঠন, স্বেচ্ছাসেৱী সংগঠন, পঞ্চায়ত, চৰকাৰী কাৰ্যালয়ত ভাষা গৌৰৱ সপ্তাহৰ লগত সংগতি ৰাখি অসমীয়া ভাষাৰ চৰ্চা কৰাৰ লগতে প্ৰস্তাৱ ল'বলৈ আহ্বান জনায়। তেওঁ ছাত্ৰ -ছাত্ৰীসকলৰ মাজত ভাষা গৌৰৱ সপ্তাহ উপলক্ষে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে বুলি কয়। তেওঁ দৰং জিলাৰ পৰা যথেষ্ট সংখ্যক চিঠি প্ৰধানমন্ত্ৰীলৈ আৰু যথেষ্ট সংখ্যক প্ৰস্তাৱ অসম চৰকাৰলৈ প্ৰেৰণ কৰা হ'ব বুলি আশা প্ৰকাশ কৰে। সভাত দৰং জিলাৰ পৰা ভাষা- সাহিত্য-সংস্কৃতিলৈ বিশেষ অৱদান আগবঢ়োৱা কেইবাগৰাকী ব্যক্তিলৈ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তেওঁলোক হৈছে পদ্মশ্ৰী দ্ৰোণ ভুঞা, বিধায়ক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক ড° পৰমানন্দ ৰাজবংশী, বিশিষ্ট সংস্কৃত পণ্ডিত মতিদেৱ শাস্ত্ৰী, বিশিষ্ট সাহিত্যিক, মৌজাদাৰ প্ৰভাত নাৰায়ণ চৌধুৰী, দৈনন্দিন বাৰ্তা কাকতৰ সম্পাদক নৰেন হাজৰিকা। সভাত অতিৰিক্ত জিলা আয়ুক্তসকল, সহকাৰী আয়ুক্তসকল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া-কৰ্মচাৰীসকল, বিশিষ্ট সাহিত্যিকসকলৰ লগতে বহু গণ্য মাণ্যলোক উপস্থিত থাকে। উক্ত সভাত দুটা প্ৰস্তাৱ লোৱা হয়। এটা প্ৰস্তাৱ চতুৰ্থ শতিকাৰ পৰা অসমীয়া ভাষা-সাহিত্যলৈ অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি পোৱাৰ বাবে ধন্যবাদ জনাই আন এটি প্ৰস্তাৱ লোৱা হয়। তদুপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ ধন্যবাদসূচক এখন চিঠি লিখা হয় আৰু সভাত উপস্থিত থকা প্ৰত্যেকেই উক্ত চিঠিখনত চহী কৰে আৰু এই চিঠিখন প্ৰধানমন্ত্ৰী কাৰ্যালয়লৈ প্ৰেৰণ কৰা হ'ব।

# পলাশবাৰীৰ ধাঙ্গাৰগাঁৱত

দিহা কৰে। এই মৰণোত্তৰ পৰীক্ষাৰ পাছতহে এই বন্যহস্তীটোৰ মৃত্যুৰ প্ৰকৃত ঘটনা পোহৰলৈ আহিব বুলি জানিব পৰা গৈছে। ইতিমধ্যেই এই মৃত বন্যহস্তীটো বনবিভাগৰ লোকে স্থানীয় লোকৰ সহায়-সহযোগত ঘটনাস্থলীৰ কাষতে ফুল ছটিয়াই দি, ধুপ জ্বলাই সেৱা জনাই হৰি ধ্বনিৰে পুঁতি থয়। ইপিনে এই বন্যহস্তীটোৰ মৃত্যুৰ পিচত অঞ্চলটোত আন বন্যহস্তীয়ে উপদ্ৰৱ চলাব নেকি ভাবি ৰাইজ শংকিত হৈ পৰিছে। উল্লেখ যে, এই কুলশী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত বিভিন্ন স্থানত বছৰি এইদৰে বন্যহস্তীয়ে বহস্যজনকভাৱে মৃত্যুমুখত পৰি আহিছে। কিছু ঠাইত গঞাই নিজৰ ধাননি দৰাক সুৰক্ষা দিয়াৰ বাবে ধাননি পথাৰত সংলগ্ন কৰা বিদ্যুতৰ তাঁৰত লাগি বন্যহস্তীয়ে মৃত্যুক আকোৱালি লোৱাৰ উপৰি বন্যহস্তীয়ে খাদ্য সংকটত ভুগি মৃত্যুমুখত পৰা, চোৰাং চিকাৰীৰ দ্বাৰা বন্যহস্তীৰ নিধন আদি কেইবাটাও কাৰণত বন্যহস্তীয়ে মৃত্যুমুখত পৰি আহিছে। কিন্তু আজিলৈ বনবিভাগে এই বন্যহস্তীক সুৰক্ষা দিয়াৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নোৱাৰিলে। ৰাইজে বন্যহস্তীৰ উপদ্ৰৱৰ খেতিৰ লগতে নিজক ৰক্ষা কৰিবলৈ কেতিয়াবা বন্যহস্তীক নিধন কৰিবলগীয়া ঘটনা ঘটে যদিও এনে বন্যহস্তীক নিধনকাৰীক বনবিভাগে জেল-জৰিমনাহে দিয়ে। বিপৰীতে বন্যহস্তীয়ে গঞাৰ খেতিৰ অনিষ্টসাধন কৰা বা গঞাক গচকি মাৰিলে বনবিভাগৰ লোকে গুৰুত্ব আৰোপ নকৰে। ৰাইজে ক্ষোভেৰে কয়-বন্যহস্তীক মাৰিলে এই বন্যহস্তীৰ মালিক হিচাপে বনবিভাগৰ লোক বন্দুক-বাৰুদ লৈ ঘটনাস্থলীলৈ ওলায় আহে। কিন্তু বন্যহস্তীয়ে গঞাক মাৰিলে বন্যহস্তীৰ মালিক কিয় নোলায় বুলি প্ৰশ্ন উত্থাপন কৰে। লগতে বনবিভাগৰ লোক কেৱল বালিৰ ট্ৰাকৰপৰা কমিচন সংগ্ৰহতে ব্যস্ত থাকে বুলি মত প্ৰকাশ কৰে। আনকি এই অঞ্চলটোত বন্যহস্তীৰ মৃত্যু বা গঞাক বন্যহস্তীয়ে আক্ৰমণ কৰা আদি ঘটনাৰ বাবে বিধায়ক হেমাংগ ঠাকুৰীয়াই অঞ্চলটোৰ ৰাইজৰ বুজ ল'বলৈ গৈ ৰাইজক সুৰক্ষা দিয়া বা ক্ষতিপূৰণ দিয়াৰ আশ্বাস দি আহে যদিও আশ্বাস দিয়াৰ পিচত বিধায়ক হেমাংগ ঠাকুৰীয়াক সেই ঠাইত দেখিবলৈ পোৱা নাযায় বুলি ভুক্তভোগী লোকে মত প্ৰকাশ কৰে।




# ডিব্ৰুগড় জিলাত ভাষা

অৱদান অদ্বিতীয় বুলি উল্লেখ কৰে। অসমীয়া ভাষালৈ আগবঢ়োৱা ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে অসমীয়া ভাষাক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠিত কৰাৰ লগতে অসমীয়া ভাষাৰ প্ৰসাৰ আৰু উন্নয়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব বহন কৰিব বুলিও তেওঁ মতপোষণ কৰে। “ভাষা গৌৰৱ সপ্তাহ”ৰ উদ্বোধনী অনুষ্ঠানত চাবুৱা বিধানসভা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, ডিব্ৰুগড় জিলা উন্নয়ন আয়ুক্ত অনুপ কুমাৰ ব্ৰহ্ম, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ সভাপতি অসীম হাজৰিকা প্ৰমুখ্যে জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়ববীয়া, জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল, ডিব্ৰুগড় জিলা সাহিত্য সভা আৰু অন্যান্য সামাজিক অনুষ্ঠান- প্ৰতিষ্ঠানৰ লগত জড়িত বিশিষ্ট ব্যক্তিসকল তথা বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ ৩ অক্টোবৰ তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যদা প্ৰদানত অনুমোদন জনায়। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰাৰ ঐতিহাসিক সাফল্যৰ ক্ষণক স্মৰনীয় কৰি তুলিবলৈ অসম চৰকাৰে ৩ পৰা ৯ নৱেম্বৰলৈকে ৰাজ্যজুৰি “ভাষা গৌৰৱ সপ্তাহ” উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

# উত্তৰাখণ্ডত ভয়ংকৰ

ততাতৈয়াকৈ হাস্পতাললৈ প্ৰেৰণ কৰা হয়। ঘটনাৰ বিৱৰণী মতে, গাৰৱালৰ পৰা কুমাওনলৈ ৪০জন যাত্ৰী কঢ়িওৱা বাছখন ৰামনগৰ অভিমুখে গৈ থাকোঁতে নিৰ্ধাৰিত লক্ষ্যস্থান নৌপাওঁতেই দ' খাৰৈত বাগৰি পৰে। ঘটনাটো সংঘটিত হোৱাৰ পাছতে স্থানীয় লোকৰ লগতে স্থানীয় প্ৰশাসনে প্ৰাৰম্ভিক উদ্ধাৰ অভিযান চলাই থকাৰ সময়তে ঘটনাস্থলীত এনডিআৰএফ আৰু এছডিআৰএফৰ দল গৈ উপস্থিত হয়। উদ্ধাৰ অভিযান চলাই ৩৬টা মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। কেইবাজনো আহতক উত্তৰাখণ্ডৰ এইমছত ভৰ্তি কৰোৱা হৈছে। ইপিনে, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে এই ঘটনা অতি দুৰ্ভাগ্যজনক বুলি আখ্যা দি উদ্ধাৰ আৰু সাহায্য অভিযান তীব্ৰতৰ কৰিবলৈ নিৰ্দেশ দিছে। ঘটনাস্থলীৰ পৰা আহতক হেলিকপ্টাৰযোগে উন্নত চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণৰ বাবেও মুখ্যমন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিছে। নিহতৰ প্ৰতিটো পৰিয়ালক ৪ লাখ টকা আৰু আহতক ১ লাখ টকাকৈ আৰ্থিক সাহায্য ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ধামীয়ে। উল্লেখ্য যে আৰক্ষীয়ে প্ৰকাশ কৰা মতে বাছ দুৰ্ঘটনাটো পুৱা ৮.২৫ বজাত সংঘটিত হৈছে। ঘটনাস্থলীৰ চুবুৰীয়া লোকে এই ঘটনা প্ৰত্যক্ষ কৰি বাছখনৰ যাত্ৰীক উদ্ধাৰৰ বাবে প্ৰথমে চেষ্টা চলায়। পৰৱৰ্তী সময়ত স্থানীয় প্ৰশাসনৰ লোক উপস্থিত হয় আৰু এই উদ্ধাৰ অভিযান চলাই থকাৰ মাজতে এছডিআৰএফ আৰু এনডিআৰএফৰ লোক উপস্থিত হয়। ইফালে, এই দুৰ্ঘটনাক লৈ শোক প্ৰকাশ কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

# ডিগবৈৰ ইণ্ডিয়ান অইল কোম্পানীৰ অৱসৰপ্ৰাপ্ত বিষয়া, সমাজকৰ্মী ইমদাদ হুছেইনৰ পৰলোক



ৰঙিলী বাৰ্তাসেৱা- ডিগবৈ ২ নম্বৰ

বৰবিল নিবাসী ইমদাদ হুছেইন (ফ্লৰেন্স) স্বাস্থ্য জনিত কাৰণত কিছুদিন অসুস্থ হৈ থকাৰ পাছত ৯-১১-২৪ তাৰিখে ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৬ বছৰ। ১৯৫৮ চনৰ ২ এপ্ৰিলত ডিগবৈত জন্ম গ্ৰহণ কৰা সমাজকৰ্মী ইমদাদ হুছেইনে ডিগবৈ ল'ৰাৰ হাইস্কুলত পঢ়া শুনা কৰাৰ পিছত শিৱসাগৰৰ জয়সাগৰ কলেজত বিএচছি ডিগ্ৰী কৰি পিছত ডিগবৈলৈ ঘূৰি আহি ডিগবৈৰ ইণ্ডিয়ান অইল কোম্পানীত ১৯৭৮ চনত চাকৰিত যোগদান কৰি ২০১৮ চনত সেই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁৰ পিতৃ প্ৰয়াত মুখটাৰ হুছেইন(জান)ৰ বৰপুত্ৰ ইমদাদ হুছেইনে মৃত্যুৰ সময়ত ৪ জন ভাতৃ, এগৰাকী ভগ্নী, এজন পুত্ৰ আৰু এজনী কণ্যাৰ লগতে নাতি নাতিনীসহ পৰিয়ালৰ অনেক আত্মীয়ক ইহ সংসাৰত এৰি যায়। স্থানীয় ডিগবৈ জামা মছজিদ কবৰস্থানত অনেক গুণমুগ্ধৰ উপস্থিতিত জানাজা সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে অঞ্চলটোত শোকৰ ছাঁ পৰে।

## চামগুৰিত বিধায়ক জিতু

ভাটিয়াখালি পঞ্চায়তৰ মৰিপুঠিখাইতীত উপস্থিত হোৱাৰ সময়তে ইছমাইল হুছেইন নামৰ লোকজনৰ ঘৰৰ সন্মুখতে আক্ৰমণৰ ঘটনা সংঘটিত হয়। যোৱা কিছুদিনৰ পৰা ইছমাইল হুছেইনৰ ঘৰত একাংশ লোকে বাহৰ পাতি আছে। ইছমাইল হুছেইনৰ ঘৰৰ পৰাই শিল, ইটাৰে আক্ৰমণ চলোৱাৰ লগতে তেওঁৰ গাড়ীতো গুলীবৰ্ষণ কৰা হয়। ঘটনাৰ পাছতে অঞ্চলটোত তীব্ৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। ঘটনাস্থলীত নগাঁৱৰ আৰক্ষী অধীক্ষককে ধৰি শীৰ্ষ আৰক্ষী বিষয়াসকল উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। চাৰি দিন পূৰ্বে অগপৰ নেতা এজনকো ইছমাইল হুছেইনৰ ঘৰৰ সন্মুখতে আক্ৰমণ কৰা হৈছিল। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত ইতিমধ্যে তীব্ৰ উত্তেজনা বিৰাজ কৰিছে। মন কৰিবলগীয়া যে চামগুৰিত নিৰ্বাচনী প্ৰচাৰৰ নামত চলা হত্যা-হিংসাৰ বাবেই কেইদিনমান পূৰ্বে এজন বিজেপি কাৰ্যকৰ্তাই কংগ্ৰেছী গুণ্ডাৰ আক্ৰমণত প্ৰাণপৰ্যন্ত হেৰুৱাবলগীয়া হৈছিল। ইপিনে, এই ঘটনা সন্দৰ্ভত ৰাজ্যিক বিজেপিয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে চামগুৰিত বিধায়ক জিতু গোস্বামীৰ ওপৰত চলোৱা গুলীচালনাৰ ঘটনা অতিশয় নিন্দনীয় আৰু এয়া অসমৰ ৰাজনৈতিক ক্ষেত্ৰৰ বাবে অতি অশুভ লক্ষণ।

## ঝাৰখণ্ডত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব

ধৰণে বেয়া হ'ব। কাৰণ আজি সমগ্ৰ ৰাজ্যখন অনুপ্ৰৱেশকাৰীয়ে তেওঁলোকৰ কবলত ৰাখিছে। ঝাৰখণ্ডত অনুপ্ৰৱেশকাৰীৰ বাবে মুছলমানৰ জনসংখ্যা অভাৱনীয় ধৰণে বৃদ্ধি পাইছে। আদিবাসীৰ পৰিৱৰ্তে অনুপ্ৰৱেশকাৰীয়ে ৰাজ্যখনৰ প্ৰায়বোৰ চহৰ দখল কৰিছে। ৰাজ্যখনত অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসন এনেদৰে বৃদ্ধি পাইছে যে বাঁচীৰ নামো কৰাচী হ'বলৈ বেছিদিন নাই। ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে জেএমএমে অনুপ্ৰৱেশকাৰী খেদিব নিবিচাৰে। অনুপ্ৰৱেশকাৰীসকলক বাট-পথ, চাকৰি নালাগে। তেওঁলোকক কেৱল সংৰক্ষণ লাগে। হেমন্ত ছোৰেনকো তাৰ বাবে আদিবাসী ভোট নালাগে, কেৱল অনুপ্ৰৱেশকাৰীৰ ভোট লাগে। ঝাৰখণ্ড উচ্চ ন্যায়ালয়ে ৰাজ্যখনত অনুপ্ৰৱেশকাৰী আছে বুলি কৈছে। ৰাইজেও ঝাৰখণ্ডত অনুপ্ৰৱেশকাৰী আছে বুলি কৈছে। কিন্তু হেমন্ত ছোৰেনে কয়- ঝাৰখণ্ডত অনুপ্ৰৱেশকাৰী নাই। এইবাৰ বিজেপি চৰকাৰ আহিলে ঝাৰখণ্ডৰ পৰা এটা এটাকৈ অনুপ্ৰৱেশকাৰীক বাহিৰ কৰি দিয়া হ'ব।সেইদৰে অনুপ্ৰৱেশকাৰীয়ে ঝাৰখণ্ডত আদিবাসী যুৱতীক বিয়া পতাৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে কোনো অনুপ্ৰৱেশকাৰীয়ে আদিবাসী যুৱতীক বিয়া কৰালে তেওঁলোকৰ সন্তানক আদিবাসীৰ প্ৰমাণ-পত্ৰ নিদিয়াৰ বাবে ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আইন প্ৰণয়ন কৰি আদিবাসীৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰা হ'ব। ৰাজ্যখনৰ নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে সুখবৰ দি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে বিজেপিয়ে চৰকাৰ গঠন কৰিলে প্ৰথম কেবিনেটতে বিনাপইচাত স্বজনপ্ৰীতি অবিহনে চাকৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। প্ৰথম বছৰতে ডেৰ লাখ নিবনুৱা যুৱক-যুৱতীক চাকৰি দিব। ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডত আলমগীৰ আলম আৰু ইৰফান আনছাৰিয়ে চলাই থকা লুণ্ঠনৰ প্ৰসংগত কয় যে জেএমএম চৰকাৰে কয়লা, বালিৰ নামত ব্যাপক লুণ্ঠন চলালে। বিজেপি চৰকাৰ ক্ষমতালৈ অহাৰ লগে লগে বালিৰ দালালি বন্ধ কৰি দিয়া হ'ব আৰু বিনামূলীয়াকৈ বালি দিয়াৰ ব্যৱস্থা কৰা হ'ব। ৰাজ্যখনত ২১ লাখ পিএমএৱাই গৃহ নিৰ্মাণ কৰা হ'ব আৰু এই গৃহ নিৰ্মাণৰ ক্ষেত্ৰত বিনামূলীয়াকৈ বালি যোগান ধৰা হ'ব। মাহে ৫০০ টকা গেছ চিলিণ্ডাৰ যোগান ধৰা হ'ব। অধিক মুনাফাৰ প্ৰলোভনত পৰি ছাহাৰাত ধন বিনিয়োগ কৰাসকলৰো ধন ওভতাই দিয়াৰ ব্যৱস্থা কৰা হ'ব।

## বোকাখাতৰ নাহৰজান বাগিচাত

অপৰাধমূলক ঘটনা অসমৰ সমাজ জীৱনৰ বাবে অতি চিন্তনীয় বিষয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰৰ গৃহ বিভাগ তথা প্ৰশাসনৰ দুৰ্বলতাৰ সুযোগ লৈ এনেধৰণৰ ঘটনা বৃদ্ধি পাইছে। পূৰ্বে সংঘটিত ধৰ্ষণ, নিৰ্যাতনৰ বিৰুদ্ধে প্ৰশাসনে ক্ষিপ্ৰতাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ নকৰাৰ বাবেই এনেধৰণৰ অবাঞ্চিত ঘটনাবোৰ ব্যাপক হাৰত বৃদ্ধি পাইছে।" গুৱাহাটীৰ গণেশগুৰিস্থিত আম আদমী পাৰ্টিৰ কাৰ্যালয়ত দলৰ সাধাৰণ সম্পাদক পুনম গগৈয়ে ৰাজ্যত সংঘটিত মহিলাৰ বিৰুদ্ধে অপৰাধ সন্দৰ্ভত এইদৰে মত ব্যক্ত কৰে। বলাৎকাৰৰ বিৰুদ্ধে ফাষ্টট্ৰেক আদালতৰ জৰিয়তে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাই আপৰ নেত্ৰী গৰাকীয়ে কয়, এটা সমীক্ষা অনুসৰি অসমত দৈনিক কমেও ৩ টাকৈ বলাৎকাৰৰ ঘটনা সংঘটিত হয়। ৰাজ্যৰ চুকে কোণে প্ৰায় প্ৰতিদিনে এটাৰ পিছত আনটো বলাৎকাৰৰ ঘটনা সংঘটিত হৈছে। বিটিআৰৰ কোকৰাঝাৰত এগৰাকী যুৱতীক দলবদ্ধ ধৰ্ষণৰ পিছত যুৱতী গৰাকীৰ সহোদৰক নৃশংসভাৱে হত্যা কৰাৰ দৰে জঘন্য ঘটনাও সংঘটিত হৈছিল । বলাৎকাৰৰ অভিযুক্ত সকলৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ তথা ৰাজ্যৰ প্ৰশাসন কঠোৰ নোহোৱাৰ বাবেই বাৰম্বাৰ এনে ঘটনা সংঘটিত হ'বলৈ পাইছে। যি সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেটী বাচাওঁ, বেটী পঢ়াওঁ শ্লোগান দিছে সেই সময়তে অসমত বলাৎকাৰৰ বলি হোৱা মহিলা বা যুৱতী সকলে ন্যায় লাভৰ পৰাও বঞ্চিত হৈছে। আমি আম আদমী পাৰ্টিয়ে পঞ্জীয়নভুক্ত ধৰ্ষণৰ গোচৰ সমূহ ফাষ্টট্ৰেক আদালতৰ জৰিয়তে ক্ষিপ্ৰতাৰে বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰি দোষীক কঠোৰতম শাস্তি দিবলৈ দাবী জনায়।

## উৰণ সেতু নিৰ্মাণৰ

প্ৰভাৱ পৰিব।' এই সন্দৰ্ভত বিগত, নৱেম্বৰতে নাগৰিক সমন্বয় সমিতিৰ উদ্যোগত এখন ৰাজহুৱা সভাও অনুষ্ঠিত হৈছিল। সভাত অঞ্চলটোৰ ৰাইজে কেইবাটাও প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গৃহীত হৈছিল। সমিতিৰ আহ্বায়ক অবিনাশ শৰ্মাই কয় যে নিৰ্মাণৰ বিভিন্ন দিশ অৱগত কৰাৰ বাবে শীঘ্ৰে লোকনিৰ্মাণ বিভাগে স্থানীয় ৰাইজৰ সৈতে ৰাজহুৱা শুনানি অনুষ্ঠিত কৰিব লাগে। শুনানিৰ সময়ত প্ৰস্তাৱিত উৰণ সেতুখনৰ নক্সাখন ৰাইজক বুজাই দিয়াৰ লগতে শুনানি সম্পূৰ্ণ নোহোৱা পৰ্যন্ত বিভাগে সেতুখনৰ নিৰ্মাণকাৰ্য স্থগিত ৰাখিব লাগে। অঞ্চলটোৰ কেইবাগৰাকীও সচেতন লোকে ভৰলুমুখত মিলিত হৈ লোকনিৰ্মাণ বিভাগৰ গছ কটা পৰিকল্পনাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদৰ সময়ছোৱাত ৰাইজে 'কোনো কাৰণতে বন ধ্বংস কৰাৰ অনুমতি দিয়া নহ'ব', 'লোকনিৰ্মাণ বিভাগে সিদ্ধান্ত সলনি কৰক', 'গছ থাকিলেহে মানুহ থাকিব' আদি শ্লোগানেৰে পৰিস্থিতি উত্তাল কৰি তোলে। ৰাইজে উন্নয়নৰ নামত প্ৰকৃতিক কোনো কাৰণতে ধ্বংস কৰিবলৈ দিয়া নহ'ব বুলি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে আজি মানৱ শৃংখলেৰে তীব্ৰ বিক্ষোভ প্ৰদৰ্শন কৰে।

## বাকী, ধাৰ ইত্যাদি

কোনোৱে ধাৰলৈ বিচাৰে আমাৰ মন মগজুত কেনে ধাৰনাই ক্ৰিয়া কৰে তাক দোহাৰাৰ প্ৰয়োজন নাই নিশ্চয়। অতি বেছি প্ৰয়োজনত, বিপদত ধাৰলৈ টকা লৈ সময়ত পৰিশোধ কৰাজনৰ কথা সুকীয়া। তেনেলোকক পুনৰ প্ৰয়োজন সাপেক্ষে সহায় কৰিবলৈ বিশেষ চিন্তা কৰিবলগীয়া নাথাকে। হকে বিহকে ধাৰলৈ টকা বিচৰা মানুহৰ সংখ্যা আজিৰ দিনত মুঠেই কম নহয়। আমি প্ৰত্যেকজনেই হয়তো টকা ধাৰলৈ দি চিৰতাতকৈ তিতা অভিজ্ঞতাৰ সন্মুখীন নিশ্চয়কৈ হ'বলগীয়া হৈছে, যি অভিজ্ঞতা জীৱনৰ শেষ উশাঁহ পৰ্যন্ত পাহৰা অসম্ভৱ। আনক কষ্টোপাৰ্জিত ধন ধাৰলৈ দি তাৰ উদ্ধাৰ অভিযানত হোৱা আমাৰ নশুৰ-নাগতি সৰ্বজনবিদীত। বন্ধুত্ব, মানবীয়তা বা আত্মীয়তা লাগিলে যিহৰ খাতিৰতেই নহওঁক কিয়, টকা ধাৰলৈ দি পুনৰ ওভতাই পাবলৈ তাঁত বাটি কৰোঁতে কৰোঁতে আমাৰ আয়ুসৰ এচোৱা পাৰ হয়। আনহাতে ধৰোঁৱা জনৰ জীৱন শৈলীয়ে চকু কপালত উঠায়। কি যে বিচিত্ৰ মানসিকতাৰ অধিকাৰী নিৰ্লজ ধৰোঁৱা সকল। কোনো ধৰনৰ এটম বম, পাৰমানৱিক বমেও লৰাব নোৱাৰা, গড়ৰ ছালৰ দৰে এইসকল ধৰোঁৱাই বিভিন্ন সময়ত আমাৰ টোপনি হৰে তথা অতি বেয়াকৈ শলঠেকত পেলায়। আমাৰ সমাজৰ বহুতো ভব্য গব্য সম্ভ্ৰান্ত লোক ধাৰে লোৱা টকা ঘূৰাই নিদিয়াৰ তালিকাত যেতিয়া নামভৰ্তি কৰে, আমাৰ সকলোৰে মুখৰ মাত হৰে।

## কৰ্মশ্ৰী হিতেশ্বৰ

ভাষাক আৰু অধিক শক্তিশালী কৰি তুলিলে। সুধাকণ্ঠ ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যু তিথি। সেই উপলক্ষে কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয়ৰ আন এটি অনুষ্ঠান ৰূপান্তৰৰ সহযোগত ড° ভূপেন হাজৰিকাৰ ব্যক্তিত্বৰ আধাৰত এটি বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। অধ্যক্ষা ড° শিখামণি কোঁৱৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটিৰ আৰম্ভণি কৰে। ৰূপান্তৰৰ সভাপতি ছাত্ৰ মৈত্ৰভ অভিজ্ঞানমে অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰে। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° অনুপ কুমাৰ ডেকাই সুধাকণ্ঠ, ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ দেৱৰ ব্যক্তিত্ব আৰু তেওঁৰ গীতৰ বিষয়ে এক আলোচনা দাঙি ধৰে । বক্তা ড° অনুপ কুমাৰ ডেকাই ব্যক্ত কৰে যে ড° ভূপেন হাজৰিকা আছিল বহুমুখী প্ৰতিভাধৰ ব্যক্তি। তেওঁৰ ৰচনা আৰু গীতে পৃথিৱীক সামৰি লৈছে । মাত্ৰ এঘাৰ বছৰ বয়সতে তেওঁ শ্ৰীমন্ত শংকৰদেৱ আৰু অসমৰ পৰিস্থিতিক লৈ গীত ৰচনা কৰিছিল। বক্তৃতানুষ্ঠানৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলৰদ্বাৰা পৰিবেশিত নৃত্য-গীতেৰে সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ আঁত ধৰে ছাত্ৰ একতা সভাৰ সম্পাদক হীৰক জ্যোতি নাথে।

## ENGLISH NEWS SECTION

# Governor concludes his two-day Majuli district visit



Guwahati , RB News: On the last leg of his two-day tour to Majuli district, Assam Governor Shri Lakshman Prasad Acharya visited Keshav Ram Borah Higher Secondary School in Gereki Gaon and interacted with the students of the school. He took stock of the essential facilities provided in the school, such as water supply and lavatories for the benefits of the students and faculty members. Spending time with the students, the Governor besides taking note of the academic facilities being provided to the students, he took note of the teachers' position, teacher-student ratio and the extra-curricular activities being rendered to the students. Shri Acharya told the students to make use of every minute of their life in productive pursuits. The Governor said, "Every student is endowed with extraordinary talent and a spark". They should be unrelenting to take their talents to a greater height. He also asked the students to enjoy their times in school and try to learn new arts which will help them to become great. The Governor also asked the teachers to help the students bring out their talents and scale new heights of success.

# Governor visits Majuli district



Guwahati , RB News: Assam Governor Shri Lakshman Prasad Acharya during his maiden visit to Majuli today paid a visit to Samaguri Satra and Uttar Kamalabari Satra and paid his obeisance to Gurojona. Upon his visit to the satras, the Governor witnessed the renowned Mukha-bhaona and the traditional Satriya dance performed by the devotees. The Governor expressed his happiness and hailed Majuli's contribution to India's cultural heritage, noting its global recognition for mask-making and other cultural tenets. The Governor also appreciated the satras' role in handing down the cultural legacy to the next generation by imparting traning. On visting Kamalabari Ghat, the Governor inspected the geo-bag embankment and reinforcement work for flood protection. During a review meeting with the district administration, District Commissioner provided him with an overview of various departments, including health, social welfare, tourism, agriculture, and education. He took stock of the progress of several central schemes, such as PMAY-G, ASRLM, Amrit Sarovar, PM Kisan, PMFBY, and PM KISAN. He asked the administration to take special steps to prioritise PM KISAN as it would directly lead to socio-economic improvement of the farmers.

# Governor confers degrees on first convocation of Majuli Cultural University



Guwahati , RB News: Assam Governor Shri Lakshman Prasad Acharya called upon the graduates of Majuli Cultural University to take ethical leadership and serve the society with honesty and responsibility. Addressing the students on the occasion of the first convocation of Majuli Cultural University at Majuli today, the Governor asked the graduating students to be steadfast in their commitment and ethically serve the society and prioritize principle over profit. He said that Majuli Cultural University is the only university which besides academic learning, emphasizes on the promotion of Indian cultural and knowledge values. The university also stands for fostering the exchange of ideas and the development of mutual respect and harmony among students from diverse social and cultural backgrounds. He said that the atmosphere of this university is unique, which offers a space where academic and cultural exchanges are not just encouraged but also celebrated. Congratulating the 182 students who graduated from the university, the Governor said that the students are the pride of the university who can take the responsibility in promoting and spreading the cultural values across the globe. Stating that the world is undergoing unprecedented changes, the Governor asked the students to take the lead in addressing the issues like climate crisis, social upheaval, and economic inequality.

# India beat South Africa by 61 runs



RB News: Sanju Samson shone with a sensational century as India eased past South Africa by 61 runs in the first T20I in Durban. Samson played a belligerent knock as India posted a big total of 202 for 8 after getting an invitation to bat first. The wicketkeeper-batter smashed 107 off 50 balls with the help of 7 fours and 10 sixes. Samson became the first-ever Indian batter to smash two consecutive tons in T20I cricket, and fourth overall. Gerald Coetzee was the best bowler for the hosts with figures of 3 for 37 in four overs. In reply, Varun Chakaravarthy (3 for 25) and Ravi Bishnoi (3 for 28) broke the back of South Africa as the hosts got bundled out for 141.

# Mohammad Nabi set to retire from ODIs after Champions Trophy



RB News: Star Afghanistan all-rounder Mohammad Nabi is set to retire from ODI cricket after the Champions Trophy. The decision of Nabi's ODI retirement was communicated by Chief Executive of Afghanistan Cricket Board (ACB), Naseeb Khan on November 8. "Yes, Nabi is retiring from ODIs after the Champions Trophy and he informed the board about his desire," Naseeb told Cricbuzz.

# Neeraj Chopra appoints javelin world record holder Jan •elezný as his new coach



RB News: Two-time Olympic medal-winning javelin thrower Neeraj Chopra has appointed Jan •elezný of Czechia as his new coach ahead of the 2025 athletics season. •elezný is a three-time Olympic and world champion, and the current javelin throw world record holder. He set the world record by posting a throw of 98.48 metres in Germany in 1996.

# পণ্ডিত জৱাহৰলাল নেহৰুৰ বিষয়ে আলোকপাত আৰু শিশু দিৱসৰ তাৎপৰ্য

**নাছিৰ আহমেদ,গোৱালপাৰা**



পণ্ডিত জৱাহৰলাল নেহৰুৰ বিষয়ে আলোচনা কৰাৰ আগতে তেওঁৰ “পণ্ডিত” আৰু “নেহৰু” উপাধিৰ মূল উৎস সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰয়াস কৰিম।

পণ্ডিত জৱাহৰলাল নেহৰুৰ উপৰিপুৰুষ সকল আছিল কাশ্মীৰী পণ্ডিত। তাৰ ভিতৰত বিশেষকৈ ৰাজ কৌল আছিল সংস্কৃত আৰু পাৰ্চী ভাষাত অগাধ পণ্ডিত। ১৭৭৬ চনত মোগল সম্ৰাট কাওছাৰৰ আমন্ত্ৰণ ক্ৰমে কাশ্মীৰৰ পণ্ডিত ৰাজ কৌলে দিল্লীৰ ওচৰৰ এটি খালৰ পাৰত অৱস্থিত এজন জাগীৰৰ নিৰ্মাণ কৰা বাসগৃহত স্থায়ী ভাৱে থাকিবলৈ লয়। খালক পাৰ্চী ভাষাত নহৰ বুলি কোৱা হয়।এই নহৰ শব্দৰ পৰাই ৰাজ কৌলৰ উত্তৰ পুৰুষ মতিলাল আৰু তেওঁৰ পুতেক জৱাহৰলালে কৌল উপাধি ত্যাগ কৰি নেহৰু উপাধি গ্ৰহণ কৰে। তেওঁৰ উপৰিপুৰুষ কাশ্মীৰী পণ্ডিত হোৱাৰ উপৰিও তেওঁ নিজেই আছিল এজন ডাঙৰ পণ্ডিত। তেওঁৰ লিখা তিনিখন ইংৰাজী গ্ৰন্থ যেনে, An auto-biography or towards freedom, Glimpse of the World, Discovery of India পৃথিৱী বিখ্যাত গ্ৰন্থ হিচাপে পৰিগণিত হৈছে।

পণ্ডিত জৱাহৰলাল নেহৰু (জন্ম ১৪ নৱেম্বৰ, এলাহাবাদত, মৃত্যু ২৭ মে ১৯৬৪ চন, দিল্লীত) আছিল ভাৰতীয় জাতীয় কংগ্ৰেছৰ এজন প্ৰধান নেতা, জাতিৰ পিতা মহাত্মা গান্ধীৰ এজন আগশাৰীৰ যোদ্ধা, স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী, (১৯৪৭ চনৰ ১৫ আগষ্টৰ পৰা ১৯৬৪ চনৰ ২৭ মে মাহ লৈকে) দুৰ দৃষ্টি সম্পন্ন, আদৰ্শবাদী, পণ্ডিত আৰু বিশ্বৰ শ্ৰেষ্ঠ কুটনীতিবিদ তিনিজনৰ ভিতৰত যেনে ইংলেণ্ডৰ বিছমাৰ্ক ইটালীৰ মুছলিনী আৰু পণ্ডিত জৱাহৰলাল নেহৰুৰ নাম সৰ্বজন বিদিত।

তেওঁ বিখ্যাত আইনজ্ঞ তথা ৰাজনীতিবিদ পিতৃ মতিলাল নেহৰুৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সৰু কালতে ঘৰুৱা পৰিবেশত পাশ্চাত্য সাংস্কৃতিক পৰিমণ্ডলত ডাঙৰ দীঘল হোৱাৰ উপৰিও ইংলেণ্ডৰ কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ ট্ৰিনিটি কলেজত নেচাৰেল বিজ্ঞানত অধ্যয়ন কৰি উঠি বাৰ এট ল অধ্যয়ন কৰাৰ বাবে তেওঁ স্বাভাৱিকতে সমাজতান্ত্ৰিক ভাবধাৰাৰ প্ৰতি আকৃষ্ট হৈছিল। তাৰ পিছত জাতিৰ পিতা মহাত্মা গান্ধীৰ দৰ্শন আৰু নেতৃত্বৰ প্ৰতি অগাধ বিশ্বাস জন্ম হোৱাৰ বাবে ১৯১৬ চনত মহাত্মা গান্ধীয়ে ঘোষণা কৰা ভাৰতৰ স্বাধীনতা আন্দোলনত পিতৃ মতিলাল নেহৰুৰ হাত ধৰি তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছ দলত যোগদান কৰি স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় কৃষক-মজদুৰৰ এক বিদ্ৰোহ আন্দোলনত নেতৃত্ব দি সফলতা লাভ কৰাত ভাৰতত ঘূৰি আহিয়েই অত্যুৎসাহী হৈ বিহাৰৰ চাম্পাৰানত ব্ৰিটিছ শাসকে নীল খেতি কৰা কৃষক- শ্ৰমিকৰ ওপৰত অত্যাধিক কৰৰ বোজা জাপি দিয়াৰ বিৰুদ্ধে সত্যাগ্ৰহ, অহিংস নীতিৰে আন্দোলন আৰম্ভ কৰাৰ সময়তো পণ্ডিত জৱাহৰলাল নেহৰুৱে মহাত্মা গান্ধীক সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল।

এনেদৰে জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত চলা স্বাধীনতা আন্দোলনৰ প্ৰতিটো কাৰ্যসূচীত তেওঁ জাতিৰ পিতাৰ সৌঁহাত-স্বৰূপ আছিল।

যেনে ১৯১৬ চনত লক্ষ্ণৌৰ সন্মিলনত দেশৰ স্বাধীনতা আন্দোলনৰ ঘোষণা, ১৯১৯ চনত ৰাওলাট চুক্তিৰ বিৰুদ্ধে অসহযোগ আন্দোলন, ১৯২০ চনৰ পৰা ১৯২২ চনলৈকে বৃটিছ শাসকৰ বিৰুদ্ধে অসহযোগ আন্দোলন, ১৯২৯ চনত পণ্ডিত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত অনুষ্ঠিত লাহোৰৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনত ঘোষণা কৰা পূৰ্ণ স্বৰাজ (Full Independence), ১৯৩০ চনৰ লোণ আইন অমান্য আন্দোলন, ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইনৰ বিৰুদ্ধে অনশন ধৰ্মঘট ঘোষণা, ১৯৪২ চনৰ ৮ আগষ্টত ভাৰতীয় জাতীয় কংগ্ৰেছৰ মোম্বাই অধিৱেশনত গ্ৰহণ কৰা ভাৰত ত্যাগ আন্দোলন (Quit India movement) ইত্যাদি সকলো স্বাধীনতা আন্দোলনত তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু ১৯৩০ চনৰ পৰা ১৯৩৫ চনলৈকে প্ৰায় একেলেথাৰিয়ে কাৰাবাস খাটিব লগীয়া হৈছিল।

স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী হিচাপে পণ্ডিত জৱাহৰলাল নেহৰুৱে ১৯৪৭ চনৰ ১৫ আগষ্টৰ পৰা ১৯৬৪ চনৰ ২৭ মে’ মৃত্যুৰ আগদিনা লৈকে দেশৰ আভ্যন্তৰীন শৃংখলা অটুট ৰখাৰ উপৰিও পৰৰাষ্ট্ৰ নীতিৰ দ্বাৰা আমাৰ দেশ ভাৰতবৰ্ষক পৃথিৱীৰ ভিতৰত সৰ্বোচ্চ সন্মানেৰে বিভুষিত কৰিবলৈ সক্ষম হৈছিল।

ড° ভীমৰাও ৰামজী আম্বেদকাৰে ভাৰতৰ সংবিধানৰ খচৰা প্ৰস্তুত কৰিছিল যদিও পণ্ডিত জৱাহৰলাল নেহৰুৰ পৰামৰ্শ মতে ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাত ভাৰতবৰ্ষক এখন গণতান্ত্ৰিক(Democratic), প্ৰজাতন্ত্ৰ (Republic), সমাজতান্ত্ৰিক(Socialist)ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰা হৈছে।

# যামিনীৰ সপোন

বিচাৰি আনে। পিছে তাই গৈ কেতিয়াও পোৱা নাই। বৰ বিশেষ আগ্ৰহো নহয় তাইৰ।

ঃ ক’ৰ পৰা আনিছা ইমান কেইটা ?

ঃ কিয় ? নৈৰ পাৰৰ পৰা।

ঃ জুমিক দিছা ?

ঃ অ’তো। তাইৰ লগতেই গৈছিলোঁ । তায়ো লৈছে সমান সমান।

ঃ ভাল হৈছে। থৈ দে গৈ ৰান্ধি দিম খাবি।

ঃ জুমিহঁতে জমা কৰি বজাৰত গৈ বিকি দিয়ে। বিকি দিয়া নহ’লে কিবা কিনিব পাৰিম।

ঃ নালাগে দে, এইকেইটা খাবি। মোহনক খৰি দিছোঁ । গামোচা আৰু দুই এখন হ’লেই কণমাইৰ তাতে দি দিম। তোৰ কিবা লাগিলে ক’বি।

ঃ কেইদিনমান পাছত মোক এখন বহী লাগিব।


ঃ হ’ব, হৈ যাব।

তাই ভিতৰলৈ গ’ল। ছোৱালীৰ চাৰি বছৰ বয়সতে এদিন হঠাতে গিৰিয়েক ঢুকাল। শাহুৱেকৰ পিছত গিৰিয়েকক হেৰুৱাই তাই ভাগি পৰিছিল । অকলে তাই কি কৰিব কেনেকৈ চলিব! যদিও কেও কোনো নোহোৱা তাই ভাগি পৰিলে যে নহ’ব তাই ভালকৈ জানিছিল। ছোৱালীজনী ডাঙৰ কৰিব লাগিব। তাইৰ এটা সপোন আছে। জী উঠিছিল আকৌ। তাই পাৰিব লাগিব। এতিয়ালৈ এনেকৈয়ে ইটো-সিটোৰে চলি আছে। ঘৰখন বুলিবলৈ কি আছে এখন সৰু ঘৰ, সন্মুখত সৰু চোতালৰ লগতে এখন বাৰী, পিছফালে কেইজোপা মান গছ। গছ বোৰ তাই নিজেই ৰোৱা।

আগলৈ....

# আমি নৈপৰীয়া

**ছেলিমা বেগম ,নগাঁও**



আমি নৈপৰীয়া খাটীখোৱা মানুহ,  
ব্ৰহ্মপুত্ৰ নদীৰ এখন উপনদী  
আমাৰ গাঁৱৰ অঞ্চলত প্ৰবাহিত হৈ আছে  
গাঁওখনৰ সৌন্দৰ্য্য বৃদ্ধি কৰি থাকে।  
নৈসৰ্গিক সৌন্দৰ্য্যত থাকি লাগে ভাল  
আমি নৈপৰীয়া মুগ্ধ হৈ থাকোঁ  
বানপানীৰ লগত খেতিৰ বাবে।  
টলমল যৌৱনত মতলীয়া হৈ  
বাৰিষাৰ পানীৰ লগত যুঁজ কৰোঁ,  
বাৰিষা আহিলে কল গছৰ বোৰ খন  
আমাৰ বাবে যাতায়তৰ একমাত্ৰ সম্বল ।  
আকাশ বতাহ মাথোঁ  
এটি হমুনিয়া আমি নৈপৰীয়া  
কষ্ট হৈছে আমাৰ জীৱন নিৰ্বাহ।  
ব্ৰহ্মপুত্ৰৰ পানীৰ সৈতে আমাৰ ধেমালি,  
নীলা আকাশৰ তলত থাকি।  
অস্ত যোৱা সূৰ্য্য ঢোৱে যেন আমাৰ  
লগত মনে মনে আহি  
কথা পাতি মেলানি মাগে ।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286